# দ্বিতীয় অধ্যায়
# মণিকুন্তলা ভট্টাচাৰ্যৰ জীৱন আৰু সাহিত্যকৃতিৰ অৱলোকন

# দ্বিতীয় অধ্যায়

# মণিকুন্তলা ভট্টাচাৰ্যৰ জীৱন আৰু সাহিত্যকৃতিৰ অৱলোকন

**২.০১ মণিকুন্তলা ভট্টাচাৰ্যৰ জন্ম, বংশ পৰিচয়, শিক্ষা ঃ**

সাম্প্ৰতিক সময়ৰ অসমীয়া সাহিত্য জগতৰ এটি পৰিচিত নাম হ'ল মণিকুন্তলা ভট্টাচাৰ্য। হোজাইত জন্মগ্ৰহণ কৰা মণিকুন্তলা ভট্টাচাৰ্যৰ পিতৃ প্ৰয়াত ভৱানী কুমাৰ শৰ্মা আৰু মাতৃ বীণা শৰ্মা। তেতিয়াৰ কামৰূপ জিলাৰ আৰু বৰ্তমান নলবাৰী জিলাৰ অন্তৰ্গত টিহু অঞ্চলত তেওঁৰ পিতৃৰ জন্ম হৈছিল। মাতৃৰ জন্ম হৈছিল নগাঁও জিলাৰ ধিং অঞ্চলত। তেওঁৰ পিতৃ ৰেজিষ্ট্ৰেচন বিভাগৰ ডেপুটী ৰেজিষ্টাৰ আছিল। মাতৃ এগৰাকী সু-গৃহিণী হোৱাৰ লগতে 'পাৰ্বতী প্ৰডাকচন' নামৰ এটি আচাৰৰ ক্ষুদ্ৰ উদ্যোগ চলাইছিল। পিতৃৰ চাকৰিসূত্ৰে পৰিয়ালটোৱে অসমৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিবলগীয়া হৈছিল। মণিকুন্তলা ভট্টাচাৰ্যই শৈশৱ-কৈশোৰৰ অধিক সময় শোণিতপুৰ জিলাৰ চতিয়াত কটাইছিল। তেওঁ ২০ বছৰ বয়সত যোৰহাটৰ বালিগাঁৱত জন্মগ্ৰহণ কৰা পৰাণ কুমাৰ ফুকনৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। তেওঁৰ স্বামী পৰাণ কুমাৰ ফুকন জুডিছিয়েল মেজিষ্ট্ৰেট আছিল। মণিকুন্তলা ভট্টাচাৰ্য এগৰাকী কন্যা সন্তানৰ মাতৃ। তেওঁৰ সন্তানৰ নাম হ'ল আকাংক্ষা ফুকন।

পিতৃৰ সৈতে বিভিন্ন ঠাইত ঘূৰি ফুৰিবলগীয়া হোৱাৰ বাবে মণিকুন্তলা ভট্টাচাৰ্যৰ শিক্ষানুষ্ঠানো সলনি হৈ আছিল। তেওঁৰ স্কুলীয়া জীৱন মংগলদৈত আৰম্ভ হৈছিল যদিও সেইসময়ত তেওঁ শিক্ষানুষ্ঠানত নাম লগোৱা নাছিল। তেওঁৰ প্ৰকৃত শিক্ষা আৰম্ভ হয় চতিয়াৰ মোক্তাবত। মোক্তাবত তেওঁ হাইস্কুললৈ পঢ়িছিল। হাইস্কুলৰ পিছৰখিনি নগাঁও চৰকাৰী বালিকা বিদ্যালয়ত সম্পূৰ্ণ হয়। তেওঁ নগাঁও ছোৱালী মহাবিদ্যালয়ৰপৰা অসমীয়া বিষয়ক গুৰু বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰী গ্ৰহণ কৰিছিল।

**২.০২ মণিকুন্তলা ভট্টাচাৰ্যৰ সাহিত্যকৃতি ঃ**

স্কুলীয়া অৱস্থাৰপৰাই মণিকুন্তলা ভট্টাচাৰ্যৰ সাহিত্যৰ প্ৰতি প্ৰচুৰ ৰাপ আছিল। কৌতূহলী মনৰ গৰাকী ভট্টাচাৰ্যই স্কুলত পঢ়ি থাকোঁতেই গল্প, কবিতাৰ লগতে পুৰাণ, বেদ, উপনিষদ আদি তত্ত্বগধুৰ গ্ৰন্থ অধ্যয়ন কৰিছিল। তেওঁৰ অধ্যয়নস্পৃহাত পিতৃৰ সমৰ্থন আৰু উৎসাহে বিশেষ অৰিহণা আগবঢ়াইছিল। পিতৃয়ে তেওঁৰ অন্তৰত পোনপ্ৰথমে লেখক সত্তাৰ জন্ম দিছিল। এই

সম্পৰ্কত লেখিকাই কৈছে—“ দ্বিতীয় শ্ৰেণীত পঢ়ি থকাৰ সময়তেই মই পঢ়া গল্পৰ এটি সংগ্ৰহ প্ৰস্তুত কৰি উলিওৱাৰ ইচ্ছা মোৰ মনত জাগি উঠিছিল। এই সম্পৰ্কে বাবাক (পিতৃক) কোৱাত তেওঁ কৈছিল তুমি কিয় আনৰ গল্পৰ সংকলন উলিয়াবা? তুমি নিজে লিখি তোমাৰ নিজৰ গল্পৰ সংকলন উলিয়াবা।”[১] পিতৃৰ এই কথাষাৰে লেখিকাৰ শিশু মনত বিশেষভাৱে প্ৰভাৱ পেলাইছিল। তেতিয়াই তেওঁৰ অন্তৰত এগৰাকী লেখক হোৱাৰ আকাংক্ষা জাগি উঠিছিল।

নৱম শ্ৰেণীৰপৰা স্নাতক পৰ্যায়লৈ লেখিকাই প্ৰতিদিনে লেখা-মেলা কৰিছিল। তেওঁৰ লেখাসমূহ স্কুল-কলেজৰ আলোচনী আদিত প্ৰকাশিত হৈছিল। কিন্তু বিবাহৰ পিছত তেওঁৰ এই গতিত কিছু বিৰাম পৰিছিল। স্নাতক পঢ়ি থকাৰ সময়তেই বিবাহপাশত আবদ্ধ হোৱা লেখিকাই সংসাৰ আৰু মাতৃধৰ্ম পালনত সম্পূৰ্ণৰূপেই নিজকে ব্যস্ত ৰাখিছিল। সেয়েহে তেওঁ সুদীৰ্ঘ ১২ বছৰ কাল লেখা-মেলাৰ পৰা আঁতৰি আছিল।

১৯৯৯ চনৰ পৰা তেওঁ পুনৰ কবিতা লিখিবলৈ আৰম্ভ কৰে। ‘আমাৰ অসম’, ‘আজি’ আৰু ‘প্ৰতিদিন’ কাকতত তেওঁৰ কবিতা নিয়মিতভাৱে প্ৰকাশ পায়। কবি হিচাপে সাহিত্য চৰ্চা আৰম্ভ কৰা লেখিকাই পৰৱৰ্তী সময়ত গল্পৰ জগতত প্ৰৱেশ কৰে। ২০০২ চনত তেওঁৰ প্ৰথমখন গল্প সমগ্ৰ প্ৰকাশ পায়। ইয়াৰ পিছৰে পৰা তেওঁ নিৰৱিচ্ছিন্নভাৱে সাহিত্যক্ষেত্ৰৰ লগত জড়িত হৈ পৰে। কবিতা, গল্পৰ লগতে তেওঁ ইখনৰ পিছত সিখন ভিন্ন বিষয়বস্তুৰ উপন্যাস ৰচনা কৰিলে। সাম্প্ৰতিক সময়লৈকে লেখিকাৰ সাহিত্য চৰ্চা অব্যাহত আছে। তেওঁ চিনেমাৰ বাবেও কাহিনী লিখিছে। তেওঁৰ বহুতো কাহিনীৰ আধাৰত চিনেমাৰ লগতে টেলিভিছনৰ ধাৰাবাহিক নিৰ্মাণ হৈছে। তেওঁৰ কিছুসংখ্যক ৰচনা হিন্দী আৰু ইংৰাজী ভাষালৈও অনুবাদ হৈছে। বিভিন্ন গ্ৰন্থ প্ৰকাশৰ লগতে সম্প্ৰতি লেখিকাই *গৰিয়সী, নন্দিনী* আদি আগশাৰীৰ আলোচনী-কাকতত নিয়মীয়াভাৱে লেখি আহিছে। অসমৰ আগশাৰীৰ বাতৰি কাকত কিছুমানৰো তেওঁ নিয়মীয়া স্তম্ভলেখক।

মণিকুন্তলা ভট্টাচাৰ্যৰ সাহিত্যকৃতিক এনেদৰে ভাগ কৰিব পাৰি—কবিতা, গল্প, উপন্যাস, প্ৰবন্ধ, অনুবাদ সাহিত্য আৰু অন্যান্য।

## ২.০২.০১ কবিতা ঃ

স্কুলীয়া দিনৰেপৰা কবিতা লিখিবলৈ আৰম্ভ কৰা মণিকুন্তলা ভট্টাচাৰ্যই বৰ্তমানলৈকে অধিকসংখ্যক কবিতাৰ ৰচনা কৰিছে। কবিতাৰে তেওঁ প্ৰথমে সাহিত্যজগতত প্ৰৱেশ কৰিছিল।

তেওঁ বিভিন্ন সময়ত লিখা কবিতাসমূহ একত্ৰিত কৰি এতিয়ালৈকে ৫ খন কবিতা সংকলন প্ৰকাশ কৰিছে। তেওঁৰ কবিতা সংকলনসমূহ হ'ল— ক) *মণিকুন্তলাৰ কবিতা* (২০০৫), খ) *চিত্ৰপট* (২০০৭), গ) *মণিকুন্তলা ভট্টাচাৰ্যৰ প্ৰেমৰ কবিতা* (২০০৯), ঘ) *শুক্লপক্ষ* (২০১১), ঙ) *আজিও জোনাকী পৰুৱা* (২০১৭)।

*চিত্ৰপট* হৈছে মণিকুন্তলা ভট্টাচাৰ্যই কবিতাৰে লিখা আত্মজীৱনী। আত্মজীৱনীখনে অসমীয়া সাহিত্যত এক নতুনত্বৰ উন্মেষ ঘটাইছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীত বৰ্তমানলৈকে এইখনেই প্ৰথম কবিতাৰে লিখা আত্মজীৱনী বুলি কোৱা হৈছে। *চিত্ৰপটৰ* বিশেষত্ব সম্পৰ্কত কুলদা কুমাৰ ভট্টাচাৰ্যই এইদৰে কৈছে—"প্ৰথমটো, কবিতাৰে আত্মজীৱনী অসমীয়া সাহিত্যত এক নতুন ধাৰাৰ প্ৰৱৰ্তন। দ্বিতীয়টো, ইমান কম বয়সত (চিত্ৰপটৰ পৰা উদ্ধাৰ কৰিব পৰা বয়সটো) অসমীয়া সাহিত্যত প্ৰথম আত্মজীৱনী।"[২] কবিতাৰ আংগিকত ৰচনা কৰা আত্মজীৱনীমূলক গ্ৰন্থখনত লেখিকাই বাহ্যিক জীৱনৰ লগতে অন্তৰ্জগতত চলি থকা ঘটনা প্ৰবাহ আৰু অভিজ্ঞতাৰ বৰ্ণনা দাঙি ধৰিছে। তেওঁৰ জীৱনৰ সুখ-দুখ, স্মৃতি, অভিজ্ঞতা সকলোবোৰকে কবিতাৰ মাধ্যমেৰে প্ৰকাশ কৰিছে। বৈচিত্ৰ্যময় জীৱন অভিজ্ঞতাৰে পুষ্ট লেখিকাৰ জীৱন। চাৰি মাহ বয়সতে তেওঁ মৃত্যুৰ সৈতে যুঁজ দিবলগীয়া হৈছিল। ডেৰ বছৰ বয়সলৈকে তেওঁ শাৰীৰিক অসুস্থতাত ভুগিছিল। পৰৱৰ্তী সময়ত আন শিশুৰ দৰে তেওঁ বাহ্যিক জগতৰ সৈতে মিলি গৈছিল। অষ্টম শ্ৰেণীৰপৰা কবিতা লিখিবলৈ লোৱা লেখিকাৰ কবিতাসমূহ নৱম-দশম শ্ৰেণীত পঢ়ি থকাৰ সময়ৰে পৰা ছপা হৈ ওলাইছিল। ব্যতিক্ৰমভাৱে তেওঁৰ আনুষ্ঠানিক শিক্ষা মোক্তাবত আৰম্ভ হোৱাৰ পৰা প্ৰেম, বিবাহ, সন্তান, প্ৰাপ্তি-অপ্ৰাপ্তি আদি শৈশৱ, কৈশোৰ, যৌৱনৰ সকলোবোৰ কথাই তেওঁ কবিতাৰ আংগিকত লিখি উলিয়ায়। এনেদৰেই কম বয়সতে লগতে কবিতাৰে আত্মজীৱনী লিখা প্ৰথম কবি হিচাপে মণিকুন্তলা ভট্টাচাৰ্যই অসমীয়া সাহিত্যৰ বুৰঞ্জীত নিজৰ নাম খোদিত কৰে। মণিকুন্তলা ভট্টাচাৰ্যৰ তৃতীয়খন কবিতাপুথি হৈছে *মণিকুন্তলা ভট্টাচাৰ্যৰ প্ৰেমৰ কবিতা*। মণিকুন্তলা ভট্টাচাৰ্যই জীৱনত প্ৰেমৰ মহত্ব স্বীকাৰ কৰিছিল। এই সম্পৰ্কত সাহিত্যিকগৰাকীয়ে সাক্ষাতকাৰত এনেদৰে কৈছে—"য'তেই নহওক মই প্ৰেমৰ মহত্ব, প্ৰেমৰ জয়গান গাই আহিছো। য'ত কষ্ট হৈছে তাতেই প্ৰেমে তুলি ধৰিছে। দুৰ্বলৰ প্ৰতি মোৰ কলম সদায় আগবাঢ়ি যায়, সি লাগিলে মহিলাই হওঁক বা পুৰুষেই হওঁক। নিষ্পেষিতসকলৰ প্ৰতি মোৰ প্ৰেম আছে। নাৰীৰ লগতে নাৰীৰদ্বাৰাও বিভিন্ন সময়ত নিষ্পেষিত পুৰুষসকলৰ প্ৰতিও মোৰ প্ৰেম আছে। এইটোৱে মোৰ প্ৰধান মনস্তাত্বিক দিশ বুলি মই ক'ব খোজোঁ।"[৩] তেওঁৰ কবিতাসমূহৰ মাজেৰেও সেয়েহে তেওঁ অহৰহ প্ৰেমৰেই জয়গান গাইছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ সময়ে সময়ে বিভিন্ন কাকত, আলোচনীত প্ৰকাশ পোৱা কবিতাসমূহ একত্ৰিত কৰি এই কবিতা পুথি পাঁচখন প্ৰকাশ কৰি উলিওৱা হৈছে। সম্প্ৰতি গল্প, উপন্যাসৰ সমান্তৰালভাৱে তেওঁ কবিতাৰ চৰ্চাও অব্যাহত ৰাখিছে। 'দেশপ্ৰেম', 'দেশ', 'ভাল ছোৱালী', 'ন ছোৱালী', 'প্ৰেম', 'ৰাতি', 'মোৰ জন্মদিনত', 'মাটি', 'মোৰ মা', 'সেইদিনা চিমলাত', 'নাৰী', 'সেউজীয়া', 'বিদ্ৰোহ', 'পিতা', 'গৃহবন্দী', 'মানুহ', 'মুক্তি', 'ধৰ্ষণ' আদি বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত তেওঁৰ কেইটামান উল্লেখযোগ্য কবিতা। 'দেশপ্ৰেম' আৰু 'দেশ' কবিতাটিৰ মাজেৰে কবিৰ স্বদেশপ্ৰেম প্ৰকাশ পাইছে। 'ভাল ছোৱালী' কবিতাটোত গোটেই জীৱন ভাল ছোৱালীৰ ভূমিকা পালন কৰি ঘৰ-সংসাৰ সুন্দৰভাৱে চলাই থকা এগৰাকী নাৰীয়ে বৃদ্ধা বয়সতো কোনো প্ৰতিবাদ সাব্যস্ত নকৰাকৈ বৃদ্ধাশ্ৰমলৈ যোৱাৰ কথা উপস্থাপন কৰা হৈছে। উচ্চ শিক্ষাৰে শিক্ষিত হ'লেও এনে নাৰী নিজৰ লগত হৈ থকা অন্যায়-অবিচাৰৰ কোনো প্ৰতিবাদ কৰিব নোৱাৰে। কাৰণ প্ৰতিবাদ কৰিবলৈ গ'লেই সমাজ পৰম্পৰাই নিৰ্ধাৰণ কৰি দিয়া ভাল নাৰীৰ শাৰীৰ পৰা অৱনমিত হ'ব। সেয়েহে জন্মৰপৰা মৃত্যুলৈকে ভাল ছোৱালী, ভাল নাৰী হোৱাৰ আখৰা কৰি থকা নাৰীয়ে নিজৰ লগত হোৱা সকলো অন্যায় নিৰ্বিবাদে গ্ৰহণ কৰি যায়। ঘৰৰ চাৰিবেৰৰ মাজত পুৰুষতান্ত্ৰিক মতাদৰ্শই নাৰীৰ বাবে নিৰ্দিষ্ট কৰা সংস্কাৰৰ মাজত এইসকল নাৰীৰ জীৱন আবদ্ধ। কবিয়ে কবিতাটিৰ জৰিয়তে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ মানসিক স্থিতিৰ প্ৰকাশ কৰিছে। লগতে পৰিয়াল তথা সমাজত নাৰীক নিজৰ অস্তিত্বৰ প্ৰতি সজাগ কৰাৰ কবিৰ উদ্দেশ্য কবিতাটিৰ মাজেৰে প্ৰকাশ পাইছে।

'ন ছোৱালী' কবিতাটিত নতুনকৈ পিতৃগৃহ এৰি স্বামীগৃহত সোমোৱা নাৰীৰ মনস্তত্ত্বৰ প্ৰকাশ পাইছে। জন্মৰেপৰা থকা ঘৰখন এৰি আহি নতুন ঘৰ এখনক আদৰি ল'বলগীয়া হোৱা প্ৰতিগৰাকী নাৰীৰেই যন্ত্ৰণা যেন কবিতাটিৰ মাজেৰে প্ৰকাশ পাইছে। বিবাহৰ পিছত এগৰাকী কন্যাই নিজ পিতৃলৈ লিখা কবিতাটিত নাৰীৰ মানসিক অৱস্থাৰ মৰ্মস্পৰ্শী প্ৰকাশে সহৃদয় পাঠকৰ অন্তৰ সিক্ত কৰি তুলিছে। কবিৰ 'নাৰী' কবিতাটিৰ মাজেৰে নাৰী জীৱনৰ অন্তৰস্পৰ্শী প্ৰকাশ ঘটিছে। কবিতাটিত নাৰী মনস্তত্ত্বৰ প্ৰকাশ সুন্দৰৰূপত প্ৰতিফলিত হৈছে। 'পিতা' কবিতাটোত পিতৃৰ সৈতে কবিৰ সম্পৰ্কৰ বাস্তৱ ৰূপ প্ৰকাশ পাইছে। কবিতাটিত পিতৃৰ উপস্থিতিয়ে কবিৰ জীৱনলৈ কঢ়িয়াই অনা প্ৰাচুৰ্যতা আৰু পিতৃৰ মৃত্যুই কবিৰ জীৱনত আনি দিয়া ৰিক্ততাৰ মৰ্মস্পৰ্শী প্ৰকাশ ঘটিছে। পিতৃৰ কায়িক উপস্থিতি নাথাকিলেও কবিয়ে পিতৃক হৃদয়ত ধাৰণ কৰি আছে। প্ৰকৃততে 'পিতা' কবিতাটোৰ মাজেৰে কবিৰ মনস্তত্ত্বৰ প্ৰকাশ ঘটিছে। কবিয়ে পিতাক সম্পৰ্কত

সাক্ষাতকাৰত কোৱা কথাবোৰৰ সৈতে কবিতাটিত বৰ্ণনা কৰা পিতাক সম্পৰ্কীয় কথাৰ সাদৃশ্য পৰিলক্ষিত হৈছে। কবিতাটিত কবিয়ে শৈশৱতে পিতাকে তেওঁক গ্ৰন্থৰ জগতখনৰ লগত পৰিচয় কৰাই দিয়াৰ কথা উল্লেখ কৰিছে। এই সম্পৰ্কে সাক্ষাতকাৰতো তেওঁ একেখিনি কথাকেই কৈছে এনেদৰে— "দেউতাই শৈশৱতে মোক পাঠ্যপুথিৰ বাহিৰেও অন্যান্য গ্ৰন্থৰ সৈতে পৰিচয় কৰাই দিছিল আৰু মোৰ লেখক সত্তাৰ জন্ম দিছিল। দেউতাই মোৰ বাবে কিতাপৰ বিপনী এখন ঠিক কৰি দিছিল। তাৰ পৰা মই মোৰ ইচ্ছামতে যেতিয়াই মন যায় কিতাপ আনি পঢ়িব পাৰিছিলোঁ।"[৪] 'গৃহবন্দী' ক'ভিডকালীন সময়ত ৰচিত কবিতা। ক'ভিড মহামাৰীৰ ত্ৰাসত গোটেই বিশ্ব গৃহবন্দী হ'বলগীয়া হৈছিল। এই সময়ছোৱাত কবিৰ অন্তৰত অনুভূত ভাৱ-অনুভূতিক তেওঁ কবিতাৰ ৰূপ দিছে। দেশত সঘনাই হৈ থকা ধৰ্ষণৰ বাতৰিয়ে কবিৰ অন্তৰ সিক্ত কৰি তুলিছে। কবি অন্তৰৰ অনুভূতি মূৰ্তমান হৈ উঠিছে 'ধৰ্ষণ' কবিতাটিত। কবিতাটিৰ মাজেৰে ধৰ্ষিতা নাৰীসকলৰ প্ৰতি কবিৰ সহৃদয়তা, সহমৰ্মিতাৰ ভাৱ প্ৰকাশ পাইছে। ইয়াৰ বিপৰীতে ধৰ্ষণকাৰীসকলৰ প্ৰতি কবিৰ অন্তৰত তীব্ৰ ঘৃণাৰ উদ্ৰেক ঘটিছে।

কবিতাক হৃদয়ত ধাৰণ কৰা লেখিকাৰ গল্প-উপন্যাসৰ পাততো সুৰুঙা বুজি কবিতাই ভুমুকি মৰা পৰিলক্ষিত হৈছে। কবিয়ে কবিতাসমূহৰ মাজেৰে ভিন্ন বিষয়বস্তুৰ ৰূপায়ণ ঘটাইছে। সহজ-সৰল ভাষাৰে প্ৰতিটো বিষয় পাঠক সমাজৰ মনোগ্ৰাহী হোৱাকৈ তেওঁ উপস্থাপন কৰিছে। সাম্প্ৰতিক অসমীয়া কবিতাত বিভিন্ন ধৰণৰ পৰীক্ষা- নিৰীক্ষা চলাই থকা দেখা গৈছে। ভাষাৰ দুৰ্বোধ্যতা, উপস্থাপন শৈলীৰ চাতুৰ্যতাই সাধাৰণ শ্ৰেণীৰ পাঠকৰ বাবে কবিতাৰ মৰ্মাৰ্থ অনুধাৱন কৰাটো জটিল কৰি তুলিছে। ইয়াৰ বিপৰীতে মণিকুন্তলা ভট্টাচাৰ্যই সাৱলীল ভাষাৰে, সহজ-সৰল উপস্থাপন শৈলীৰে সকলো শ্ৰেণীৰ পাঠকৰ হৃদয়গ্ৰাহ্য হোৱাকৈ কবিতাৰ বিষয়বস্তু উপস্থাপন কৰা পৰিলক্ষিত হৈছে। পাঠকক কবিতাৰ ৰস আস্বাদনৰ ক্ষেত্ৰত জটিলতাৰ মেৰপাচত সোমোৱা নাই। পাঠকে কবিতাসমূহত নিজৰ জীৱন তথা আৱেগ-অনুভূতিৰ সন্ধান কৰিবলৈ সক্ষম হৈছে।

**২.০২.০২ গল্প ঃ**

বৰ্তমান সময়লৈকে মণিকুন্তলা ভট্টাচাৰ্যৰ ছয়খন গল্পপুথি প্ৰকাশ পাইছে। গল্পপুথিসমূহ হ'ল—ক) *প্ৰস্তৰ কন্যা* (২০০২), খ) *কবিগংগা* (২০০৮), গ) *বৰফৰ বেলি* (২০০৯), ঘ) *নীলপক্ষী* (২০১০), ঙ) *অন্তৰীক্ষ* (২০১১), চ) *জিৰাফৰ মাত* (২০১৪)।

তেওঁৰ প্ৰথমখন গল্পপুথি *প্ৰস্তৰ কন্যাই* ২০০৪ চনৰ 'মুনীন বৰকটকী বঁটা' লাভ কৰে।

*প্ৰস্তৰ কন্যাত* ভিন্ন বিষয়বস্তুৰ ওঠৰটা গল্প সন্নিৱিষ্ট কৰা হৈছে। এই গল্পসমূহৰ ৰচনাকাল হৈছে ২০০০ ৰ চনৰ পৰা ২০০২ চন। মণিকুন্তলা ভট্টাচাৰ্যৰ দ্বিতীয় খন গল্পপুথি *কবিগংগাত* সোতৰটা গল্প সন্নিবিষ্ট কৰা হৈছে। ২০০২ চনৰ পৰা ২০০৭ চনৰ ভিতৰত এই গল্পসমূহ লিখা হৈছিল। *বৰফৰ বেলি* তেওঁৰ তৃতীয়খন গল্পপুথি। এই গ্ৰন্থখনৰ বাবে তেখেতে ২০১০ চনত 'ভৱানী শৰ্মা স্মাৰক চুটিগল্প গ্ৰন্থ' বঁটা লাভ কৰিছিল। গল্প পুথিখনত ২২ টা বিভিন্ন বিষয়ক ৰসোত্তীৰ্ণ গল্প সন্নিৱিষ্ট কৰা হৈছে। *বৰফৰ বেলি* সংকলনৰ অন্তৰ্গত 'নীলা জোতা' চুটিগল্পৰ আধাৰত ৰণাল্ড হুচেইনে 'নীলা জোতা' নামেৰে এখনি চুটি ছবি নিৰ্মাণ কৰিছে। *নীলপক্ষী* লেখিকাৰ চতুৰ্থখন গল্প সংকলন। ইয়াত ঊনত্ৰিশটা গল্প সন্নিৱিষ্ট কৰা হৈছে।

*প্ৰস্তৰ কন্যা* গল্প সংকলনখনত সন্নিৱিষ্ট প্ৰথম গল্প 'অস্ত ৰবিৰ হেঙুলীয়া' গল্পটো মনস্তাত্ত্বিক দিশৰপৰা এক সাৰ্থক সৃষ্টি। গল্পটোত পিতৃৰ মৃত্যুৰ বাস্তৱক গ্ৰহণ কৰিব নিবিচৰা এগৰাকী কন্যা সন্তানৰ মনস্তাত্ত্বিক দিশক মূল বিষয়বস্তু হিচাপে গ্ৰহণ কৰা হৈছে। পিতৃৰ প্ৰতি কন্যা সন্তানৰ প্ৰেম, আন্তৰিকতা, আৱেগ-অনুভূতিৰ সুন্দৰ প্ৰকাশ ঘটিছে গল্পটোৰ মাজেৰে। পিতৃৰ মৃত্যুৱে চৰিত্ৰটোৰ জীৱনলৈ আনি দিয়া বিষাদ আৰু নিঃসংগতাৰ প্ৰকাশ ঘটিছে চৰিত্ৰটোৱে প্ৰদৰ্শন কৰা আচাৰ-আচৰণৰ মাজেৰে। ডাক্তৰে মৃত ঘোষণা কৰাৰ পিছতো গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰটোৱে সেয়া অন্তৰেৰে মানি ল'ব বিচৰা নাছিল। গল্পটোত চৰিত্ৰটোৰ মানসিক স্থিতিৰ উমান পোৱা যায় এনেদৰে—

> পিতাৰ মুখখন পুনৰ নিৰীক্ষণ কৰিবলৈ ধৰিছিলো। কোনো অভিজ্ঞ চিকিৎসকৰ দৰেই তেওঁৰ নাকৰ আগত মোৰ গাল ৰাখি, তেওঁৰ হাতৰ মণিবন্ধনত মোৰ ওঁঠ থৈ আৰু তেওঁৰ নিস্পন্দ বুকুত কাণ পাতি বাৰে বাৰে পৰীক্ষাহে কৰিছিলো যেন! জেনেৰেল ৱাৰ্ডৰ পৰা হাস্পতালখনৰ আই.চি.ইউৰ দীঘলীয়া চেম্বাৰটোত পিতাক ইতিমধ্যে এখন ফল্ডিং পাৰ্টিশ্বনেৰে ঘেৰি আন ৰোগীসকলৰ পৰা পৃথক কৰি পেলোৱা হৈছিল। পিতাৰ স'তে নিৰিড় হ'ব খোজাৰ সোণালী সুযোগ মই যেন হাততে পাই গৈছিলো। চিগাৰেটৰ ধোঁৱাই কৱচ পিন্ধাই থোৱা তেওঁৰ গ্ৰীৱা, বক্ষ আৰু ওঁঠ, অহৌবলীয়াৰ দৰে মই বাৰে বাৰে শুঙিছিলো। নাছিল, ক'তো সেই গোন্ধ নাছিল।[৫]

গল্পটোত ব্যৱহৃত প্ৰতীক, চিত্ৰকল্প আদি আংগিকসমূহেও মনস্তাত্ত্বিক গুৰুত্বতা লাভ কৰিছে।

সংকলনখনত সন্নিৱিষ্ট 'বগৰী বৰুৱা' গল্পটোত মূৰত চুলি নথকাৰ বাবে মসৃণ পক ধৰিব ওলোৱা বগৰীবৰণীয়া মূৰৰ বুবুল বৰুৱা গৈ কেনেকৈ বগৰী বৰুৱা হ'ল সেয়া গল্পটোত উপস্থাপন

কৰা হৈছে। বাহ্যিকভাৱে গল্পটো ব্যংগৰূপত ৰচনা কৰা হৈছে যদিও ইয়াৰ অন্তৰালত বুবুল বৰুৱাৰ মানসিক যন্ত্ৰণাৰ স্পষ্ট ইংগিত প্ৰতিফলিত হৈছে। তেওঁ নিজেই সেয়া স্বাভাৱিকভাৱে গ্ৰহণ কৰিলেও তেওঁৰ সন্তানে তেওঁৰ মূৰটোক লৈ মানুহে কৰা ঠাট্টা-মস্কৰা সহ্য কৰিব পৰা নাই। অঞ্চলটোৰ নানাধৰণৰ সামাজিক কামত ব্যস্ত থকা, উপযাচি সকলোকে পাৰ্যমানে সহায় কৰা বুবুল বৰুৱাক সকলোৱে বগৰী বৰুৱা উপনাম দি ইতিকিং কৰা কথাটোৱে গল্পটোৰ গভীৰ তাৎপৰ্য বহন কৰিছে। 'উপলব্ধিৰ অনুগ্ৰাহক' গল্পটোত হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক ভেদভাৱৰ চিত্ৰ অংকন কৰা হৈছে। পিতৃৰ কৰ্মসূত্ৰে বিভিন্ন ঠাইত ঘূৰি ফুৰিবলগীয়া হোৱা গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ নয়না হিন্দু সম্প্ৰদায়ৰ হ'লেও মোক্তাবত স্কুলীয়া শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছিল। ইয়াত মুছলমান বন্ধু-বান্ধৱীৰ সৈতে চৰিত্ৰটোৰ আত্মীয়তা গঢ় লৈ উঠিছিল। চৰিত্ৰটোৱে হিন্দু মুছলমানৰ উৰ্দ্ধত মানৱীয় প্ৰেমৰ মহত্ব স্বীকাৰ কৰিছিল যদিও নিজৰ বিবাহৰ প্ৰসংগত সেয়া কাৰ্যকৰী কৰা দেখা নগল। মুছলমান সম্প্ৰদায়ৰ লিয়াকতৰ প্ৰতি প্ৰেমৰ অনুভৱ থকাৰ পিছতো একমাত্ৰ লিয়াকত হিন্দু নোহোৱাৰ বাবেই চৰিত্ৰটোৱে লিয়াকতৰ প্ৰেমৰ প্ৰস্তাৱ গ্ৰহণ কৰা নাই। চৰিত্ৰটোৱে লিয়াকতৰ প্ৰস্তাৱ অস্বীকাৰ কৰি কোৱা কথাখিনিৰ পৰা চৰিত্ৰটোৱে যে প্ৰকৃত অৰ্থত ধৰ্মীয় পৰম্পৰাৰ উৰ্দ্ধত উঠিব পৰা নাই সেয়া প্ৰতিপন্ন হৈ উঠিছে। নয়নাই লিয়াকতক এনেদৰে কৈছে—"ঃ হয় মই মুছলমান হ'ব লাগিছিল, নহয় তুমি হিন্দু হ'ব লাগিছিল।..."[৬] প্ৰেমেৰে ঈশ্বৰ-আল্লা একাকাৰ কৰিব বিচৰা লিয়াকতৰ মৃত্যুৰ পিছত নয়না চৰিত্ৰটোৰ আত্ম উপলব্ধি হৈছে। এনেদৰেই গল্পটোৰ মাজেৰে বৰ্তমান সময়তো যে সমাজ ব্যৱস্থাত হিন্দু-মুছলমানৰ মাজত এখন সামাজিক প্ৰাচীৰ আছে সেয়া প্ৰতিভাত হৈছে। হিন্দু-মুছলমানৰ মাজত বন্ধুত্ব, আত্মীয়তা হ'ব পাৰে যদিও বিয়া-বাৰুৰ প্ৰসংগত ৰক্ষণশীল মনোভাৱেই ধাৰণ কৰি থকা হৈছে। ইয়াৰ উপৰিও সংকলনখনত সন্নিৱিষ্ট 'যৌৱনৰ হেলনীয়া ভাঁজ', 'খৰুৰ প্ৰেম', 'ৰংজুলিৰ জোনাক', 'প্ৰতিপদ', 'মাধ্যাকৰ্ষণ', 'অন্য এক অভিমন্যু', 'ৰোহবিদ্ধ-শৰবিদ্ধ', 'হাৱাখানাত জালিকটা ৰ'দ', 'ডেমডেউকাৰ অংক', 'বজ্ৰ-বটালি', 'অন্তৰীপ', 'বলুকাত সৈনিক খোজ', 'বৰষুণৰ গান!', 'প্ৰস্তৰ কন্যা', 'অস্তাচলত অহল্যা' হৈছে একো-একোটা উচ্চ মানবিশিষ্ট ৰসোতীৰ্ণ গল্প।

মণিকুন্তলা ভট্টাচাৰ্যৰ দ্বিতীয় খন গল্পপুথি *কবিগংগা*ৰ অন্তৰ্গত এটি অন্যতম গল্প হ'ল 'সংস্কৃত'। গল্পটো প্ৰথমে ২০০৬ চনত *প্ৰান্তিক* আলোচনীত প্ৰকাশ পাইছিল। গল্পটো মনস্তাত্বিক দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ। ইয়াত এগৰাকী পত্নীৰ মানসিক জগতৰ বিশ্লেষণ কৰা হৈছে। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰটোৱে নিঃসংগতাৰ জীৱন কটাই থকা বাবে তেওঁৰ অৱচেতন মনে স্বামীৰ ওচৰত

অন্য এগৰাকী নাৰীৰ উপস্থিতি অনুভৱ কৰিছে। স্বামীৰ ওচৰত অন্য নাৰীৰ উপস্থিতি মনতে কল্পনা কৰি লৈ চৰিত্ৰটোৱে মানসিক দ্বন্দ্বত ভোগা পৰিলক্ষিত হৈছে। গল্পপুথিখনত সন্নিৱিষ্ট আন এটি গল্প 'বুকুৰ মাজৰ ঘৰ'ত সন্তানৰ মৃত্যুত মির্জা আচাদুল্লা খান গালিব আৰু তেওঁৰ পত্নীৰ যন্ত্ৰণাদায়ক মানসিক অৱস্থাৰ ৰূপায়ণ কৰা হৈছে। গল্পটোত সন্তানৰ মৃত্যুত নাৰীৰ লগতে পুৰুষো কিদৰে মানসিকভাৱে ভাগি পৰে সেয়া গালিব চৰিত্ৰটোৰ মাজেৰে প্ৰতিপন্ন কৰা হৈছে। ইয়াৰ ফলস্বৰূপেই গল্পটোত নাৰী মনস্তত্ত্বৰ সমান্তৰালভাৱে পুৰুষ মনস্তত্ত্বৰো সাৰ্থক প্ৰকাশ ঘটিছে। গল্পটো ২০০৫ চনৰ ৬ নৱেম্বৰ তাৰিখে 'আজিৰ অসম' কাকতৰ সাপ্তাহিক সাহিত্য আলোচনীত প্ৰকাশ পাইছিল। গল্পপুথিখনত সন্নিৱিষ্ট আন এটি গল্প 'ছাৰ্কাছ কুঁৱৰী'ত ছাৰ্কাছত থকা ছোৱালী এজনীৰ বিবাহৰ পিছত নিজৰ পিতৃপ্ৰদত্ত নামৰ লগতে জীৱনশৈলী কিদৰে পৰিৱৰ্তন হৈ গৈছে সেয়া উপস্থাপন কৰা হৈছে। অন্তৰত ছাৰ্কাছক ধাৰণ কৰি থকা চৰিত্ৰটোৱে বিবাহৰ পিছত নিজৰ ইচ্ছাকাংক্ষা পূৰণ কৰিব নোৱাৰি অন্তৰ্দ্বন্দ্বত ভুগিছে। স্বামীৰ কথামতে ছাৰ্কাছ বাদ দি স্বামীৰ সমাজখনৰ সৈতে মিলাকৈ নিজকে সজাই-পৰাই তুলিলেও চৰিত্ৰটোৱে অৱচেতন মনত ছাৰ্কাছক ধাৰণ কৰি আছিল। যাৰবাবে বিয়াৰ পিছত সন্তানক নিচুকাবলৈ চৰিত্ৰটোৱে ৰাকাৰত উঠি ঘূৰি ঘূৰি ছুৰি থপিয়াই ধৰা খেলৰ অনুশীলন কৰি আপোনপাহৰা হৈ পৰিছিল। এনেদৰে নিজৰ ইচ্ছাকাংক্ষাক অৱদমন কৰি ৰখা ছাৰ্কাছ কুঁৱৰীৰ অন্তৰ্জগত আৰু বহিৰ্জগতৰ মাজত পিষ্ট মানসিক অৱস্থাৰ প্ৰকাশ ঘটিছে গল্পটোত। এই গল্পটো প্ৰথমে ২০০৫ চনৰ ১৬ ফেব্ৰুৱাৰী তাৰিখে *প্ৰান্তিক* আলোচনীত প্ৰকাশ পাইছিল। ইয়াৰ উপৰিও গল্পপুথিখনত সন্নিৱিষ্ট অন্যান্য গল্পসমূহ এনেধৰণৰ 'কবিগংগা', 'প্ৰদাহ', 'আশাপথ', 'শৃংখল', 'মধ্যৱৰ্তী শূন্যতা', 'বৃক্ষশ্ৰান্তি', 'অনল', 'কক্ষপথত এৰাতি', 'ভালপাওঁ তোমাক', 'নাৰিকল', 'দশভূজা', 'প্ৰতীতি', 'ইথাৰ', 'অনিৰুদ্ধ'।

মণিকুন্তলা ভট্টাচাৰ্যৰ *বৰফৰ বেলি* গল্পপুথিত সন্নিৱিষ্ট গল্পসমূহত দয়া, ক্ষমা, চাতুৰালি, মাতৃৰ চিৰন্তন প্ৰেম, মানুহৰ অবিবেচক কাণ্ড মানসিক দ্বন্দ্ব আদি মানৱ জীৱনৰ একো- একোটি দিশ স্পষ্টকৈ উপস্থাপন কৰা হৈছে। গল্পপুথিখনৰ অন্তৰ্গত 'প্ৰতীক্ষা' গল্পটোত পুত্ৰশোকত দগ্ধ এগৰাকী মাতৃৰ উপস্থাপন কৰা হৈছে। পুত্ৰৰ মৃত্যু হোৱাৰ পিছতো পুত্ৰ আহিব বুলি আশাৰে ৰৈ থকা এগৰাকী মাতৃৰ অন্তৰৰ আকুলতা মৰ্মস্পৰ্শী ৰূপত বৰ্ণনা কৰা হৈছে। লেখিকাৰ বৰ্ণনাই পাঠকৰ অন্তৰ স্পৰ্শ কৰিবলৈ সক্ষম হৈছে। 'নীলা জোতা' গল্পটোত মাজুলিৰ বৰ্ণনা দাঙি ধৰা হৈছে। ইয়াৰ উপৰিও গল্পপুথিখনত সন্নিৱিষ্ট ভিন্ন বিষয়বস্তুৰ অন্যান্য গল্পসমূহ এনেধৰণৰ— 'নষ্টনীড়', 'পাটেকীবৰি', 'সেউজীয়া পাতৰ মন্টাজ', 'উন্মীলন', 'কৌশল', 'নতুন বছৰৰ খবৰ',

‘তমস’, ‘বিধাতা’, ‘অভ্ৰভেদী বৈজয়ন্তী’, ‘জনাথন...জনাথন’, ‘বৰফৰ বেলি’, ‘অৱবাহিকা’, ‘লংৰাংদাউ’, ‘নিৰ্যাস’, ‘শেষ উপহাৰ’, ‘সুগন্ধি আলাপ-অন্তৰাগ’, ‘সংশয়’, ‘শাশ্বত’, ‘নীলাচল’।

*নীলপক্ষী* গল্পপুথিখনতো ভিন্ন বিষয়ক ঊনত্ৰিশটা গল্প অন্তৰ্ভুক্ত কৰা হৈছে। গল্পপুথিখনৰ অন্তৰ্গত প্ৰথম গল্পটো হৈছে ‘পূৰ্বৰাগ’। ইয়াত গল্পকাৰে শ্ৰীকৃষ্ণ আৰু ৰাধাৰ পূৰ্বৰাগৰ বিষয়ে উপস্থাপন কৰিছে। ৰাধা-কৃষ্ণৰ পৌৰাণিক কাহিনীটোকে নতুন দৃষ্টিভংগীৰে নাৰী মনস্তত্ত্বৰ দিশেৰে লেখিকাই বিশ্লেষণ কৰি দেখুৱাইছে। প্ৰতিগৰাকী নাৰীয়ে বিবাহৰ পিছত স্বামীৰপৰা মৰম, আগ্ৰহ, গুৰুত্ব পাব বিচাৰে। কিন্তু ৰাধাই বিচৰাধৰণে মৰম-আদৰ স্বামী তথা স্বামীৰ ঘৰখনৰপৰা পোৱা নাছিল। গল্পটোত ৰাধাৰ মৰ্মবেদনাৰ প্ৰকাশ ঘটিছে এনেদৰে—

> কোনেনো বিচাৰি ফুৰিব, চিন্তা কৰিব তাইৰ কাৰণে? ঘৰখনত মাথোন পতি অভিমন্যু, শাহু জটিলা আই আৰু ৰাধা নিজে। তিনিটি প্ৰাণী মাত্ৰ। কাহিলি পুৱাতে অভিমন্যু গৰু চাৰিবলৈ ওলাই যায়। শাহুআই বহি যায় মাখন মথিবলৈ। সন্ধিয়া অভিমন্যু উভতি আহে, ৰাধা ঘৰত থকা-নথকালৈ মূৰ নঘমায় মানুহটোৱে। নিজেই ভোকৰ এমুঠি যোগাৰ কৰি লয়। শাহুআই জটিলা সন্ধিয়াতে পাটিত পৰে। বেলি ডুবাৰ পিছত তেওঁ আহাৰ গ্ৰহণ নকৰে। দেখাত ৰাধাৰ একো জঞ্জাল নাই। কিন্তু চুবুৰীৰ বোৱাৰীবোৰে কোৱাৰ দৰে শাহুআই জটিলা বুঢ়ীৰ ভিতৰখনো বৰ জটিল। আন্ধাৰ-মুন্ধাৰ কোঠাৰ এচুকৰ শয্যাৰ পৰা ৰিঙিয়াই থাকিব পুতেকক। অভিমন্যুৰ প্ৰতি বুঢ়ীৰ হেঁপাহৰ অন্ত নাই, মৰমতে মাতে আয়ান বুলি।[৭]

গল্পটোৰ বৰ্ণনামতে স্বামী অভিমন্যুৰ পৰা নোপোৱা আন্তৰিকতা ৰাধাই কৃষ্ণৰ মাজত বিচাৰি পাইছিল। সেয়েহে ৰাধাই বিবাহৰ পিছতো কৃষ্ণৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল। স্বামীৰপৰা অনাদৰিত ৰাধাই পৰপুৰুষৰ প্ৰতি আকৰ্ষিত হৈ পৰাৰ কাৰণ সম্পৰ্কত এনেদৰে মনস্তাত্ত্বিক বিশ্লেষণ দাঙি ধৰিব পৰা যায়। এনেদৰেই গল্পকাৰে পৌৰাণিক কাহিনীটো মনস্তাত্ত্বিক দৃষ্টিভংগীৰে পুনৰ্নিৰ্মাণ কৰিছে। ‘মৰমী হাঈ’ গল্পটোত কাৰ্বি ডেকা-গাভৰু হাঈ আৰু লঙৰ প্ৰেম কাহিনী উপস্থাপন কৰা হৈছে। লঙৰ পত্নী হাঈয়ে বেপাৰী ৰণ্ছাটাঙৰ প্ৰেমৰ প্ৰস্তাৱ গ্ৰহণ নকৰাত প্ৰতিশোধ ল’বৰ বাবে ৰণ্ছাটাঙে হাঈৰ ৰূপৰ বৰ্ণনা কাৰ্বি ৰাজ্যৰ শাসনকৰ্তা সামন্ত লংদিলিৰ আগত কৰিছিল। লংদিলিয়ে হাঈৰ ৰূপৰ বৰ্ণনা শুনি হাঈৰ পিতৃক কন্যা খুজিছিল। অমান্তি হোৱাত জোৰকৈ হাঈক উঠাই লৈ গৈছিল। লঙৰপৰা বিচ্ছেদিত হাঈয়ে নাখাই-নবৈ প্ৰাণ ত্যাগ কৰিছিল। এনেদৰেই গল্পটোত সামন্তবাদত সাধাৰণ মানুহৰ দুখ-দুৰ্দশাৰ জলন্ত ছবি প্ৰকাশ পাইছে। গল্পটোত কাৰ্বি সমাজ ব্যৱস্থাৰ

লগতে কাৰ্বি জনজাতীয় সমাজত প্ৰচলিত উৎসৱ-পাৰ্বণ, গীত-মাত, নীতি-নিয়মো গল্পকাৰে পটভূমিৰ সৈতে সংগতি ৰাখি সুন্দৰকৈ উপস্থাপন কৰিছে। 'লাভা' গল্পটোত পুত্ৰ নিষিদ্ধ সংগঠনত যোগদান কৰাৰ বাবে ঘৰ এখন কিদৰে ধ্বংস হৈ গৈছে সেয়া বিষয়বস্তু ৰূপত তুলি ধৰা হৈছে। তিনিটাকৈ চোকা ল'ৰাৰ পিতৃ হিচাপে নবীন মাষ্টৰৰ মনত যি গৌৰৱ আছিল সেয়া মাজু পুত্ৰ সংগঠনৰ কামত ঘৰ এৰি যোৱাৰ পিছত ভংগ হৈছিল। ককায়েকক বিচাৰি পুলিচে ধৰি নিয়া নৰই পুলিচৰ নিৰ্মম অত্যাচাৰৰ কথা শুনি আহিছিল বাবে পুলিচৰ জীপৰ ভিতৰতে ডিঙি ৰেপি আত্মহত্যা কৰিছিল। গল্পটোত লেখিকাই পৰিৱৰ্তিত অসমীয়া সমাজৰ ৰূপৰেখা অংকন কৰিছে। চাকৰিৰ বাবে টকা দিব নোৱাৰি বহু শিক্ষিত ল'ৰাই উপায় নাপাই গাড়ী চলাই ভাড়া মাৰিছে, শাক-পাচলি বিক্ৰি কৰিছে। দেশৰ মুক্তিৰ বাবে পৰিৱৰ্তন বিচাৰি বাচ-বিচাৰ নকৰাকৈ গাঁৱৰ ল'ৰা ঘৰৰপৰা ওলাই গৈছে যদিও একো কৰিব নোৱাৰি পুনৰ ঘৰলৈ উভতি আহিছে। গল্পটোত যজ্ঞৰ কথাৰ পৰা এয়া স্পষ্ট হৈ পৰিছে এনেদৰে—

> 'আজি আৰু সেইদিন নাই দেউতা। ৰাতি ৰাতি ঘৰৰ পৰা ওলাই যোৱা ল'ৰাবোৰে সব উভতিহে আহিছে, আজি আৰু নতুন কিবা বিচাৰি কোনেও ঘৰ নেৰে...।'
>
> 'কিন্তু ফিৰিঙতি হৈ পৰিছে ই...।'
>
> 'গাড়ীখন চলিলেই অলপ পইচা সাঁচিব পৰা যাব। তাৰেই তাক যেনে-তেনে চাকৰি এটা যোগাৰ কৰি দিবগৈ লাগিব...।'[৮]

অসমীয়া সমাজ ব্যৱস্থাক চাৰিওফালে যি দুৰ্নীতি, অনীতি, ভ্ৰষ্টাচাৰে আগুৰি ধৰিছে সিয়ে লেখিকাক চিন্তিত কৰি তুলিছিল। 'কস্তুৰী' গল্পত বৈবাহিক জীৱনত নিঃসংগতাত ভোগা এগৰাকী নাৰীৰ জীৱন অভিজ্ঞতা তথা মনস্তত্ত্বৰ প্ৰকাশ ঘটিছে। স্বামীৰদ্বাৰা উপেক্ষিত, অনাদৰিত শ্বাৰ্লট সাতোটা সন্তানৰ মাতৃ হোৱাৰ পিছতো একাকীত্বত ভুগিছে। সাহিত্য-সংস্কৃতিৰ প্ৰতি অনুৰক্তা শ্বাৰ্লটে বিদূষী পুৰুষ গ্যেটেৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল। এই কথা অনুধাৱন কৰি চৰিত্ৰটোৱে মানসিক অন্তৰ্দ্বন্দ্বত ভুগিছিল যদিও গ্যেটেৰ সংগত মানসিক শান্তিৰ সন্ধান কৰিছিল। এনেদৰেই গল্পটোত নাৰী মনস্তত্ত্বৰ বিভিন্ন দিশ প্ৰতিভাত হৈছে। গল্পপুথিখনৰ অন্তৰ্গত 'নীলপক্ষী', 'পোহৰ', 'ভায়'লিনৰ তাঁৰ' গল্পতো বিবাহ বহিৰ্ভূত প্ৰেমৰ উপস্থাপন কৰা হৈছে। যিয়ে চৰিত্ৰসমূহে বৈবাহিক জীৱনত কটাই থকা নিঃসংগতা, একাকীত্বৰ জীৱনৰ পৰা চৰিত্ৰসমূহক উদ্ধাৰ কৰি মানসিক শান্তি প্ৰদান কৰিছে। 'ৰং' আৰু 'অপত্য' গল্পতো সাংসাৰিক জীৱনৰ নিঃসংগতাক উপস্থাপন কৰা হৈছে। 'অপত্য' গল্পটোত নিঃসন্তান হাড়ভাঙানীয়ে ঘৰত পোহা ছাগলীজনীকে নিজ সন্তানৰ দৰে স্নেহ কৰি

মাতৃত্বৰ সুখ অনুভৱ কৰিছে। 'স্বীকৃতি', 'চেতস্বান', 'বাহাদুৰ', 'ব্ৰঞ্জৰ মাত', 'অপেচৰী', 'হৰলিক্স', 'বুমেৰাং', 'চকুৰ ভাষা', 'সখা কৃষ্ণ', 'পাতনিৰ নেপথ্য', 'প্ৰাৰ্থনা', 'সাম্প্ৰতিক', 'আমোদ', 'হাৰা-কিৰি', 'হালধীয়া হলৌ চোলা', 'দৃশ্যান্তৰ', 'অসৌজন্য', 'মাত', 'আমি আটাইবোৰ মানুহ', 'বৰষুণ' গল্পপুথিখনত সন্নিৱিষ্ট আন কেইটামান উল্লেখযোগ্য গল্প।

মণিকুন্তলা ভট্টাচাৰ্যৰ গল্পপুথিসমূহত সন্নিৱিষ্ট গল্পসমূহৰ বিষয়বস্তুৰ বৈচিত্ৰ্যতা পৰিলক্ষিত হৈছে। সমাজ জীৱনৰ বিভিন্ন ঘটনা আৰু এই ঘটনাসমূহক লৈ লেখিকাৰ জীৱন বীক্ষা গল্পসমূহৰ মাজেৰে প্ৰকাশ পাইছে। বিষয়বস্তুৰ অভিনৱত্ব, প্ৰকাশভংগীৰ সাৱলীলতা, ভাষাৰ মাধুৰ্য্যতাই তেওঁৰ গল্পৰ মানদণ্ড উন্নত কৰিছে।

**২.০২.০৩ প্ৰবন্ধ সংকলন ঃ**

মণিকুন্তলা ভট্টাচাৰ্যৰ এতিয়ালৈকে তিনিখন প্ৰবন্ধ সংকলন প্ৰকাশিত হৈছে। প্ৰবন্ধ সংকলন তিনিখন হ'ল—ক) *শব্দ আৰু সত্য* (২০০৯), খ) *মণিকুন্তলাৰ অনুভৱ* (২০১২), গ) *আকাংক্ষা* (২০১৭)।

মণিকুন্তলা ভট্টাচাৰ্যৰ সাহিত্যকৃতিক স্বীকৃতি প্ৰদান কৰি মামণি ৰয়ছম গোস্বামীয়ে কৈছে—

> অসমীয়া ভাষা সাহিত্যতে নহয়, পৃথিৱীৰ বিভিন্ন সাহিত্য ক্ষেত্ৰবোৰতো কবিতা আৰু গল্পৰ একেলগে চৰ্চা কৰা লেখকৰ সংখ্যা একেবাৰেই কম। মণিকুন্তলা ভট্টাচাৰ্যই মাথো গল্প আৰু কবিতাই নহয়, প্ৰবন্ধ আৰু সূক্ষ্ম অনুভূতি সম্পন্ন নিবন্ধও ৰচনা কৰিছে। কাকত-আলোচনীত ধাৰাবাহিকভাৱে প্ৰকাশিত শব্দ আৰু সত্য, জীৱনৰ বৰ্ণমালা আদি জনপ্ৰিয় স্তম্ভ লেখনীৰ যোগেদিও তেওঁ অসমীয়া সাহিত্যত নিজৰ স্থিতি সবল কৰিছে।[৯]

মণিকুন্তলা ভট্টাচাৰ্যৰ *শব্দ আৰু সত্য* সংকলনখনত সন্নিৱিষ্ট প্ৰবন্ধসমূহ ২০০১ চনৰ পৰা ২০০৪ চনলৈ 'অগ্ৰদূত' কাকতত প্ৰকাশ পাইছিল। ২৬৭ পৃষ্ঠাৰ সংকলনখনত লেখিকাই 'অগ্ৰদূত' কাকতৰ সাপ্তাহিক বিভাগীয় লেখিকা হিচাপে লিখা ৭৬ টা নিৰ্বাচিত প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। নাতিদীৰ্ঘ প্ৰবন্ধসমূহ বিভিন্ন বিষয়ক। সুখপাঠ্যতা হৈছে সংকলনখনত সন্নিৱিষ্ট প্ৰবন্ধসমূহৰ অন্যতম বৈশিষ্ট্য। প্ৰবন্ধসমূহত সাংবাদিকধৰ্মী আৰু ৰম্য ৰচনাৰ এক মনোগ্ৰাহী সংমিশ্ৰণ ঘটিছে। প্ৰবন্ধসমূহৰ মাজেৰে লেখিকাৰ সমাজ চেতনাও প্ৰকাশ পাইছে। সমাজ জীৱনৰ বিভিন্ন প্ৰসংগক তেওঁ ইয়াত বিশ্লেষণ কৰিছে। সমালোচনাত্মক হোৱাৰ লগতে এইবোৰ সৃষ্টিধৰ্মী হোৱাও পৰিলক্ষিত হৈছে।

প্ৰবন্ধসমূহৰ মাজেৰে লেখিকাৰ সংবেদনশীল আৰু যুক্তিবাদী মনৰ প্ৰকাশ ঘটিছে। প্ৰতিটো প্ৰবন্ধতে লেখিকাৰ পাঠকৰ সৈতে এক সহমৰ্মিতাৰ সম্পৰ্ক গঢ় লৈ উঠিছে। ইয়াত লেখিকাই যি কথনভংগী ব্যৱহাৰ কৰিছে সিয়ে পাঠকৰ সৈতে লেখিকাৰ আত্মীয়তা গঢ়ি তুলিছে। পাঠকে সহজে বোধগম্য কৰাৰ লগতে আকৰ্ষণ অনুভৱ কৰে। প্ৰবন্ধসমূহত লেখিকাৰ ভাবৰ স্বচ্ছতাৰ লগতে ভাষাৰ সাৱলীলতা প্ৰকাশ পাইছে। সহজ-সৰল ভাষাত পাঠকৰ বোধগম্য হোৱাকৈ স্পষ্ট আৰু নিভাঁজ বৰ্ণনা তেওঁ দাঙি ধৰিছে। 'অধ্যয়নপিপাসু', 'ক্ষুধাৰ দংশন', 'ডাকোৱাল নাহে', 'এক স্বৰ্গীয় অনুভৱ', 'বৈচিত্ৰ্যময় সাহিত্য-সংস্কৃতি', 'কৰ্মস্পৃহাৰ দৰ্শন', 'বাৰিষাৰ অৰুন্ধতী', 'শুভ পৰিণয়ৰ কথা', 'বিলাসী উন্মত্ত মেঘ' আদি সংকলনখনৰ বিভিন্ন দিশৰপৰা উন্নতমানৰ উল্লেখযোগ্য প্ৰবন্ধ। তেওঁৰ দ্বিতীয়খন প্ৰবন্ধ সংকলন *মণিকুন্তলাৰ অনুভৱত* অন্তৰ্ভূক্ত প্ৰবন্ধসমূহ 'অসমীয়া প্ৰতিদিন' কাকতৰ দেওবৰীয়া পৰিপূৰিকা *সম্ভাৱত* প্ৰকাশ পাইছিল। ইয়াত 'অনুভৱ' নামৰ শিতানটোত লিখা ৰচনাখিনিৰ লগত নতুনকৈ কিছু সন্নিৱিষ্ট কৰি লেখিকাই সংকলনখন প্ৰকাশ কৰি উলিয়ায়। ২২৪ পৃষ্ঠাৰ সংকলনখনত লেখিকাৰ নিৰ্বাচিত ৫০ টা প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। তৃতীয়খন প্ৰবন্ধ সংকলন *আকাংক্ষাত* অন্তৰ্ভূক্ত প্ৰবন্ধসমূহ 'জনমভূমি' কাকতত প্ৰথম প্ৰকাশ পাইছিল। কাকতখনৰ স্তম্ভ লিখন শিতানত তেওঁ 'আকাংক্ষা' নামেৰে শিতান এটা লিখিছিল। পৰৱৰ্তী সময়ত এইবোৰেই একত্ৰিত কৰি ২০০ পৃষ্ঠাৰ সংকলনখনৰ ৰূপ দিয়ে। ইয়াত ৫০ টা প্ৰবন্ধ আছে। লেখিকাই জীৱন আৰু জগত সম্পৰ্কে মূলতঃ প্ৰবন্ধসমূহ লিখিছিল। এই সম্পৰ্কে *আকাংক্ষাৰ* পাতনিত লেখিকাই কৈছে—"যদিও কবিতা লিখিবলৈকে প্ৰথম কলম ধৰিছিলো, পাছৰ কালত কিন্তু গদ্যৰ ফালেহে ই গতি কৰিবলৈ ল'লে। চুটিগল্প, সৰু সৰু ৰচনা কিছুমান আৰু উপন্যাস। গল্প-উপন্যাসে যিদৰে আদৰ পালে, সৰু সৰু ৰচনাবোৰেও কমকৈ হ'লেও সমাদৰ পালে। লিখি গ'লো। দৈনিক বাতৰি কাকতৰ দেওবৰীয়া পৃষ্ঠাত আৰু বিভিন্ন আলোচনীত। মূলতঃ এই জীৱন-জগত সম্পৰ্কে লিখিলো।" ভিন্ন বিষয়বস্তু লৈ তেওঁ প্ৰবন্ধ ৰচনা কৰিছে। উন্নত মানবিশিষ্ট প্ৰবন্ধসমূহৰ মাজেৰে লেখিকাৰ জীৱন আৰু জগত সম্পৰ্কে নিজস্ব দৃষ্টিভংগী তথা ধাৰণাৰ প্ৰকাশ ঘটিছে। ইয়াত লেখিকাৰ জীৱনৰ লগত জড়িত বিভিন্ন বিষয় আৰু সেইবোৰৰপৰা লেখিকাই লাভ কৰা অভিজ্ঞতাৰ বিষয়েও উপস্থাপন কৰা হৈছে। 'নাৰী মুক্তি আৰু তছলিমা নাছৰিন' আৰু 'মামণি ৰয়ছম' শীৰ্ষক প্ৰবন্ধ দুটাত সাহিত্যিক দুগৰাকীক প্ৰতিভাত কৰি তোলা হৈছে।

লেখিকাই মনোগ্ৰাহী ৰূপত সহৃদয়তাৰে প্ৰবন্ধসমূহ ৰচনা কৰিছে। প্ৰবন্ধসমূহত সমাজ, সাহিত্য, সংস্কৃতি, ধৰ্ম, ৰাজনীতি আদি সকলো দিশকে সাঙুৰি লোৱা হৈছে। ইয়ে বিষয়সমূহত

লেখিকাৰ পৰিপক্ব জ্ঞান আৰু গভীৰ অন্তৰ্দৃষ্টিৰ পৰিচয় দিয়ে। তেওঁ জীৱন-জগত সম্পৰ্কীয় সকলো বিষয়কে যুক্তিযুক্তভাৱে নিৰ্মোহ বিশ্লেষণ কৰি দেখুৱাইছে।

**২.০২.০৪ উপন্যাস ঃ**

অসমীয়া উপন্যাস সাহিত্যৰ ক্ষেত্ৰখনত মণিকুন্তলা ভট্টাচাৰ্যই অনবদ্য অৱদান আগবঢ়াইছে। বিষয়বস্তুৰফালৰপৰা তেওঁৰ উপন্যাসসমূহক চাৰিটা ভাগত ভাগ কৰিব পাৰি—

সামাজিক উপন্যাস, জীৱনীমূলক উপন্যাস, আত্মজীৱনীমূলক উপন্যাস আৰু শিশু উপন্যাস।

**২.০২.০৪.০১ সামাজিক উপন্যাস ঃ**

সমাজ বাস্তৱতাৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা উপন্যাসেই হৈছে সামাজিক উপন্যাস। সামাজিক উপন্যাসত সমসাময়িক সমাজত ঘটি থকা বিভিন্ন ঘটনা, সমস্যাৰ বিশ্লেষণ আগবঢ়োৱা হয়। "ঔপন্যাসিকে সামুহিক কল্যাণৰ আদৰ্শ আগত ৰাখি কেইটামান চৰিত্ৰৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰত প্ৰৱেশ কৰে আৰু আৰ্থসামাজিক সমস্যাৰ স্বৰূপ উন্মোচন কৰে। লেখকৰ অভিজ্ঞতা অনুযায়ী গাঁৱলীয়া অথবা নগৰীয়া জীৱনধাৰা ইয়াত পৰিস্ফুট হৈ উঠে।"[১০] সামাজিক উপন্যাসত সামাজিক সমস্যাৰ সমান্তৰালভাৱে সমাজত বাস কৰা ব্যক্তিৰ হাঁহি- কান্দোন, আৱেগ- অনুভূতি, আশা- আকাংক্ষা আদিয়েও স্থান লাভ কৰে। উপন্যাস সমাজত বাস কৰা মানুহৰ জীৱনক লৈ ৰচনা কৰা হেতুকে সকলো শ্ৰেণীৰ উপন্যাসকে প্ৰাথমিকভাৱে সামাজিক উপন্যাস বুলিব পৰা যায়।

*অৰুন্ধতী* (২০০৫) হৈছে মণিকুন্তলা ভট্টাচাৰ্যই লিখা প্ৰথমখন উপন্যাস। সুদীৰ্ঘ বাৰ বছৰৰ বিৰতিৰ পিছত হাতত কলম তুলি লৈ তেওঁ এই উপন্যাসখন লিখি উলিয়াইছিল। উপন্যাসখন প্ৰথমে দৈনিক কাকত 'অসমীয়া প্ৰতিদিন'ৰ দেওবৰীয়া পৰিপূৰিকা *সম্ভাৱ*ত ধাৰাবাহিকৰূপে প্ৰকাশ লাভ কৰিছিল। হিন্দী 'ছেন্টিনেল' কাকতত *অৰুন্ধতী*ৰ হিন্দী অনুবাদ ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল। দিনকৰ কুমাৰে *অৰুন্ধতী* হিন্দী ভাষালৈ গ্ৰন্থ ৰূপত অনুবাদ কৰিছে। *অৰুন্ধতী* উপন্যাসত ঔপন্যাসিকাই ব্যক্তিৰ নিভৃত কোণত থকা ৰহস্যময় জগতখন উদ্ভাসিত কৰি তুলিছে। পৰম্পৰাগত আৰু আধুনিকতাৰ মাজত পিষ্ট নাৰীমনৰ বিভিন্ন দিশক উপন্যাসখনত উন্মোচন কৰা হৈছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ কিতাপ আকাৰে প্ৰকাশিত প্ৰথমখন উপন্যাস হৈছে *সন্ধ্যা* (২০০৪)। দৈনিক কাকত এখনৰ দেওবৰীয়া পৰিপূৰিকাত প্ৰথমে *স্বপ্ন সম্ভৱ* নামেৰে এই উপন্যাসখনি

ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল। কিন্তু কোনো কাৰণবশতঃ ই আধাতে বন্ধ হৈ গৈছিল। উপন্যাসখন দূৰদৰ্শনৰ ধাৰাবাহিক হিচাপে প্ৰচাৰ হোৱাৰ লগতে আকাশবাণীৰপৰাও সম্প্ৰচাৰিত হৈছিল। সমগ্ৰ বিশ্বকে আলোড়িত কৰি ৰখা মাৰাত্মক ব্যাধি 'এইড্‌ছ'ক কেন্দ্ৰ কৰি *সন্ধ্যা* উপন্যাসখন ৰচনা কৰা হৈছে। ইয়াৰ সমান্তৰালভাৱে মানুহৰ আৱেগ-অনুভূতি, আশা-আকাংক্ষা, সপোন ভঙাৰ যন্ত্ৰণা, অৱদমিত ইচ্ছাকাংক্ষাৰ হেঁচাত পিষ্ট মানৱ জীৱনৰ ৰূপায়ণ কৰা হৈছে।

সমকামিতাক মূল বিষয় হিচাপে লৈ মণিকুন্তলা ভট্টাচাৰ্যই *মুক্তি* (২০০৬) উপন্যাস ৰচনা কৰিছিল। 'আজিৰ অসম' কাকতৰ ৰঙালী বিহু সংখ্যা আলোচনীত উপন্যাসখন প্ৰথম প্ৰকাশ হৈছিল। সমকামিতা, বেশ্যা আদি যিবিলাক বিষয় সভ্য সমাজে মুকলিকৈ আলোচনা কৰাৰ পৰা বিৰত থাকে তেনেবোৰ বিষয়েই উপন্যাসখনত উপস্থাপন কৰা হৈছে। উপন্যাসখনৰ পাতনিত এই সম্পৰ্কত ঔপন্যাসিকাই কৈছে—"মানুহৰ জীৱনৰ অত্যন্ত সংগোপন আচৰণ, যাক এককথাত অসামাজিক বুলি ক'ব পাৰি, উপন্যাসখনিত তাকেই থূলমূলকৈ অংকণৰ চেষ্টা কৰা হৈছে। যি চিত্ৰক কোনো মানুহে নুই কৰিব নোৱাৰে বুলি মোৰ বিশ্বাস।" উপন্যাসখন হিন্দী আৰু পাঞ্জাবী ভাষালৈ অনুবাদ হৈছে।

সমাজৰ আন এক অন্যতম ব্যাধি ডাইনী সমস্যাক লৈ মণিকুন্তলা ভট্টাচাৰ্যই *চামিয়ানা* (২০০৬) উপন্যাস ৰচনা কৰিছে। *ছায়ামগ্নতা* নামেৰে ক্ষুদ্ৰ কলেবৰত ২০০3 চনত 'জনমভূমি' আলোচনীৰ ৰঙালী বিহু সংখ্যাত উপন্যাসখন প্ৰথম প্ৰকাশ পাইছিল। ঔপন্যাসিকাই সন্মুখীন হোৱা বাস্তৱ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি উপন্যাসখন ৰচনা কৰা হৈছে। এই সম্পৰ্কত উপন্যাসখনৰ পাতনিত ঔপন্যাসিকাই কৈছে—

> অসম মহিলা সমতা ছ'চাইটিয়ে সক্ৰিয়তাৰে অহৰহ লাগি থকা নানানটা কাৰ্যসূচীৰ ভিতৰৰে অন্ধবিশ্বাস নিৰ্মূলকৰণৰ অংগ ডাইনী সমস্যাৰে অনুপ্ৰাণিত এই উপন্যাস। নিচেই কম সময়ৰ বাবে ছ'চাইটিৰ গোৱালপাৰা শাখাৰ বাৰ্তালোচনী এখন সম্পাদনা কৰিছিলোঁ। উপন্যাসখনৰ কিছুমান চৰিত্ৰ তেতিয়াই লগ পোৱা। দুই-একৰ ক্ষেত্ৰতহে কল্পনাৰ ৰহণ সনা হৈছে। এক চূড়ান্ত অন্ধবিশ্বাসত নিজৰ সকলো মানৱীয়তা ভস্ম কৰি একেখন সমাজতে সুখে-দুখে একেলগে উঠা-বহা কৰা এজনকে হঠাতে কেনেকৈ অত্যাচাৰেৰে জৰ্জৰিত কৰি পেলাব পাৰে, ডাইনী বুলিয়েই নগ্ন কৰা নাৰীক শৌচালয়ৰ গাঁতত গতিয়াই পেলাব পাৰে, মৃত্যুলৈ ঠেলি দিব পাৰে, এয়া অত্যন্ত পৰিতাপৰ কথা।

উপন্যাসখনিত তেনে চিত্ৰৰ মাজেৰেই সমাজৰ আন্ধাৰ দিশটিৰ ফালে লণ্ঠন দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ *বৰদোৱানী* (২০০৬) গ্ৰাম্য পটভূমিত ৰচিত এখনি সামাজিক উপন্যাস। কিতাপ আকাৰে প্ৰকাশ হোৱাৰ পূৰ্বে ২০০৫ চনত 'সাদিন'ৰ বসন্ত *সম্ভাৰ*ত কাহিনীটোৱে প্ৰকাশ লাভ কৰিছিল। দূৰদৰ্শনৰ ধাৰাবাহিক হিচাপেও কাহিনীটো গ্ৰহণ কৰা হৈছিল। ঔপন্যাসিকাই শৈশৱতে প্ৰত্যক্ষ কৰা বাস্তৱ ঘটনা এটাক নিজস্ব ধৰণে কাহিনী ৰূপত উপন্যাসখনত উপস্থাপন কৰিছে। উপন্যাসখনৰ পাতনিত ঔপন্যাসিকাই কৈছে—" আজিৰ দিনত বৰদোৱানীহঁত জীৱনৰ কি পৰ্যায়ত ৰৈছেগৈ, সেইকথা মই আইতা, মা, মামা আৰু ভনীৰ মুখেৰে সহস্ৰবাৰ শুনিও গ্ৰহণ কৰা নাই। কৰিব পৰা নাই। কাৰণ সেই শৈশৱতে মোৰ বুকুত প্ৰোথিত হৈছিল কেৱল পুণ্যধৰ নামৰ হোজা মানুহ এজনে দুগৰাকী স্ত্ৰীৰ পাণিগ্ৰহণ কৰাৰ বীজ এটিহে। তাকেইহে কঢ়িয়াই ফুৰোঁ মই, প্ৰতিপালন কৰি সুখী হওঁ, আত্মবিভোৰ হৈ ৰওঁ...!" উপন্যাসখনত মানুহৰ আভ্যন্তৰত চলি থকা বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ লগতে পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰো ৰূপ অংকন কৰা হৈছে।

অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ ওপৰত ভিত্তি কৰি মণিকুন্তলা ভট্টাচাৰ্যই *মই ডেচডিম'না হ'ব খোজোঁ* (২০০৭) উপন্যাসখন ৰচনা কৰিছে। উপন্যাসখনে অসম সাহিত্য সভাৰ ২০০৭-০৯ বৰ্ষৰ 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা' বঁটা লাভ কৰিবলৈ সক্ষম হয়। উপন্যাসখন লখিমপুৰৰ ঘিলামৰা 'ইংগিত গোষ্ঠী'ৰ সৌজন্যত নাট্যৰূপেৰে দুটা দৰ্শনী প্ৰদৰ্শিত হয়। *মই ডেচডি'মনা হ'ব খোজোঁ* এখনি তথ্যসমৃদ্ধ উপন্যাস। ইয়াত ভ্ৰাম্যমাণ থিয়েটাৰৰ আৰম্ভণিৰ ইতিহাসৰ পৰা আৰম্ভ কৰি অভিনেতা, অভিনেত্ৰী, কলা-কুশলী সকলোকে সামৰি লোৱা হৈছে। ভ্ৰাম্যমাণক পটভূমি হিচাপে লৈ ৰচনা কৰা উপন্যাসখনত আধুনিক ব্যক্তি মনস্তত্ত্বৰ বিভিন্ন দিশ উদ্ভাষিত হৈ উঠিছে। ঔপন্যাসিকাই উপন্যাসখনৰ পাতনিত কৈছে— " এই নতুন কাহিনী, নতুন মানুহৰ কাহিনী। পটভূমিহে ভ্ৰাম্যমাণ, চৰিত্ৰবোৰ আজিৰ দিনৰ। তেওঁলোকে ম'বাইল ফোন ব্যৱহাৰ কৰে, বয়স অনুপাতে কাম কৰে, কথা পাতে।"

মণিকুন্তলা ভট্টাচাৰ্যৰ তথ্যভিত্তিক আন এখন সামাজিক উপন্যাস হৈছে *ত্ৰিকুটাৰ ঘোঁৰা* (২০০৯)। ইয়াত তথ্যভিত্তিকভাৱে জম্মু কাশ্মীৰৰ বৈষ্ণোদেৱী মন্দিৰৰ বৰ্ণনা আগবঢ়োৱা হৈছে। ইয়াৰ লগতে জম্মু কাশ্মীৰৰ বৈষ্ণোদেৱী মন্দিৰৰ ৰাস্তাত চলা ঘোঁৰাৱালা সকলৰ জীৱন সংগ্ৰাম চিত্ৰণ কৰা হৈছে।

অকালতে স্বামী-পুত্ৰক হেৰুৱাই কম বয়সতে একাকীত্বক আকোঁৱালী ল'বলগীয়া হোৱা

এগৰাকী নাৰীৰ মৰ্মবেদনা চিত্ৰিত কৰা হৈছে *যমুনা* (২০০৯) উপন্যাসত। 'জনমভূমি' কাকতৰ দেওবৰীয়া পৰিপূৰিকা *বসুন্ধৰাত* উপন্যাসখন প্ৰকাশ হৈছিল। উপন্যাসখনত এগৰাকী সৰ্বহাৰা নাৰীৰ মনস্তত্ত্বক ৰূপায়ণ কৰা হৈছে। এই সম্পৰ্কত ঔপন্যাসিকাই উপন্যাসখনৰ পাতনিত উল্লেখ কৰিছে—

সকলো কাহিনীৰে একোটা শেষ থাকে।
কিন্তু এই শেষৰ পৰাই যদি কাহিনীৰ প্ৰধান চৰিত্ৰই
টানি নিবলগা হয় তেওঁৰ যাত্ৰা,
চল্লিশৰ ডেওনা অতিক্ৰম কৰা যমুনা সাধাৰণ মধ্যবিত্তীয় গৃহিণী।
একে সময়তে হেৰুৱাইছে যি স্বামী আৰু একমাত্ৰ সন্তানক।
কেৱল আয়ুস থকাৰ বাবেই জী থকা এই যমুনাকে
প্ৰধান চৰিত্ৰ হিচাপে লৈ ৰচনা কৰা হ'ল উপন্যাসখনি।
এই উপন্যাস ৰচনা কাৰ্য, মোৰ নিজৰে প্ৰতি জনোৱা
এক কঠিন প্ৰত্যাহ্বানহে আছিল যেন।

অসমৰ গ্ৰাম্য জীৱনৰ পটভূমিত *বাঁহী* (২০১০) উপন্যাসখন ৰচনা কৰা হৈছে। ২০০৭ চনত 'জনমভূমি' আলোচনীৰ বিহু সংখ্যাত ক্ষুদ্ৰৰূপত উপন্যাসখনে প্ৰথম প্ৰকাশ লাভ কৰিছিল। পৰৱৰ্তী সময়ত উপন্যাসখনৰ পৰিসৰ আৰু কাহিনীৰ পৰিৱৰ্তন কৰি ২০১০ চনত গ্ৰন্থ হিচাপে প্ৰকাশ কৰা হয়। উপন্যাসখনৰ সমাজ ব্যৱস্থাত প্ৰচলিত পৰম্পৰাগত মতাদৰ্শক গ্ৰহণ কৰি আগবাঢ়ি যোৱা এগৰাকী নাৰীৰ মনস্তত্ত্বৰ ৰূপায়ণ কৰা হৈছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ বৃদ্ধাশ্ৰম বিষয়ক উপন্যাস হৈছে *বন্ধ ঘৰৰ খিৰিকী* (২০১৩)। উপন্যাসখনে ২০১৭ চনত 'অসম সাহিত্য সভাৰ শতবৰ্ষীয় সাহিত্য সন্মান' লাভ কৰিবলৈ সক্ষম হয়। শুচিব্ৰতা ৰায়চৌধুৰীৰ প্ৰচেষ্টাত পোনপ্ৰথমে অসমত গঢ় লৈ উঠা বৃদ্ধাশ্ৰমৰ বৰ্ণনা দাঙি ধৰাৰ লগতে ইয়াত বাস কৰিবলৈ অহা একো-একোগৰাকী বৃদ্ধাৰ জীৱন কাহিনীৰে উপন্যাসখন সিক্ত হৈ পৰিছে। বিশেষকৈ উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ নিৰ্মলাই পৰিয়ালৰ মানসিক নিৰ্যাতনৰ বলি হৈ বৃদ্ধাশ্ৰমত আশ্ৰয় ল'বলগীয়া হোৱাৰ কাহিনী মৰ্মস্পৰ্শী। ঔপন্যাসিকাই বাস্তৱ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি উপন্যাসখন লিখি উলিয়াইছে। উপন্যাসখনৰ পাতনিত এই বিষয়ে ঔপন্যাসিকাই কৈছে—

লগ পালোঁ বৃদ্ধাৰাসৰ বাসিন্দাসকলকো। প্ৰত্যেকৰে ভিন্ন কাহিনী। বিচিত্ৰ জীৱনবোধ।

তাৰে এগৰাকী বাসিন্দাৰ জীৱনৰ সঁচা কাহিনীৰে ৰচিত এই উপন্যাস। এবাৰ তেওঁ মোৰ হাতত ধৰি অনুৰোধ কৰিছিল— "তুমি মোৰ ছোৱালীৰ নিচিনা। পাৰা যদি মোৰ ছোৱালীজনীৰ লগত মোক মিলন কৰাই দিয়া।" কিন্তু নামটোৰ বাহিৰে জীয়েকৰ আন কোনো তথ্য তেওঁ মোক দিব নোৱাৰিলে, মোৰো কামটো কৰা নহ'ল। তাৰ এমাহৰ ভিতৰতে মহিলাগৰাকীৰ আকস্মিক বিয়োগ ঘটে। মহিলাগৰাকী গ'লগৈ, কিন্তু তেওঁৰ সেই কথাষাৰ মোৰ প্ৰাণত ৰৈ গ'ল। আজি এই উপন্যাস শেষ কৰিছোঁ, ইয়াৰ মাজেৰেই আশা ৰাখিছোঁ যে আমাৰ সমাজলৈ যদিও বৃদ্ধাশ্ৰম আহিছে আমি যেন আদৰেৰে আমাৰ জন্মদাতাক আমাৰ মাজত ৰাখোঁ।

মণিকুন্তলা ভট্টাচাৰ্যৰ পুৰুষ মনস্তত্ত্বৰ ওপৰত প্ৰাধান্য প্ৰদান কৰি ৰচনা কৰা উপন্যাস হৈছে *অনুৰোধ* (২০১৩)। শৈশৱৰপৰা যৌৱনলৈকে নিঃসংগতা আৰু একাকীত্বত জীৱন কটোৱা এগৰাকী অভিযন্তাৰ জীৱন কাহিনী ৰূপায়ণ কৰা হৈছে উপন্যাসখনত। লেখিকাৰ প্ৰায়কেইখন উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ নাৰী হোৱাৰ বিপৰীতে *অনুৰোধ*ৰ কেন্দ্ৰীয় চৰিত্ৰ হৈছে পুৰুষ। উপন্যাসখন ৰচনা কৰা সম্পৰ্কত ঔপন্যাসিকাই উপন্যাসখনৰ পাতনিত উল্লেখ কৰিছে—"সাধাৰণতে একেটা প্ৰশ্নৰ সন্মুখত প্ৰায়ে থিয় হ'বলগা হয়, মোৰ উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ সদায় কিয় নাৰী হয়? সেইসকল প্ৰশ্নকৰ্তাৰ সন্মুখত এইবাৰ এক নতুন আংগিকৰ এই উপন্যাস—" অনুৰোধ"। য'ত পুৰুষৰ দৃষ্টিৰে নাৰী এক মমত্ব, বিষাদগাঁথা অথবা বকুল ফুলৰ গোন্ধ।"

যাদুকৰী বাস্তৱবাদৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা মণিকুন্তলা ভট্টাচাৰ্যৰ প্ৰথম উপন্যাস হৈছে *মোৰ দেশ* (২০১৭)। এইখন ঔপন্যাসিকাৰ সুকীয়া আংগিকৰ অন্য এক ৰচনা। যাদুকৰী বাস্তৱবাদী ধাৰাৰ লেখকসকলে বাস্তৱ পৃথিৱীৰ বৰ্ণনাত অলৌকিকতাৰ আশ্ৰয় লয়। *মোৰ দেশ* উপন্যাসখনতো ইন্দ্ৰজাল আছন্ন বাস্তৱৰ ৰূপায়ণ কৰা হৈছে। উপন্যাসখনত বন্ধুত্ব, প্ৰতাৰণা, বিশ্বাস, প্ৰেম, বিৰহ আদি মানৱীয় অনুভূতিৰ সমান্তৰালভাৱে বহুতো অলৌকিক ঘটনাৰ সমাৱেশ ঘটিছে। মৎস্যকন্যা, উইচিৰিঙাৰ জাক, কেকোঁসাপৰ বিষ, দোৰোণ শাকৰ আঞ্জাৰ ধোঁৱা, অচিন ধাতুৰে নিৰ্মাণ কৰা পাত্ৰৰ বিষক্ৰিয়া আদিয়ে অলৌকিকতাক নিৰ্দেশ কৰিছে। উপন্যাসখনৰ কাহিনীক্ৰমত সাধাৰণ মানুহ বাল্মিকী, ধৰ্মৰাজ, নৃপতিহঁতৰ জীৱনত এনেধৰণৰ অলৌকিক ঘটনা ঘটিছে। এনেদৰেই উপন্যাসখনত বাস্তৱ আৰু সপোন সপোন যেন লগা অলৌকিতাৰ সংমিশ্ৰণ ঘটোৱা হৈছে।

আধুনিক যুৱ প্ৰজন্মক নায়ক-নায়িকা হিচাপে লৈ *ৰামধেনু* (২০১৮) উপন্যাস ৰচনা কৰা হৈছে। উপন্যাসখন মাহেকীয়া আলোচনী *নন্দিনী*ত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। উপন্যাসখনত কিশোৰ-কিশোৰীৰ পৰা যুৱক-যুৱতী পৰ্যন্ত জীৱন কাহিনীৰ ৰূপায়ণ কৰা হৈছে। উপন্যাসখনৰ বিষয়বস্তু সম্পৰ্কত ঔপন্যাসিকাই উপন্যাসখনৰ পাতনিত কৈছে—

> ৰামধেনু মোৰ হেঁপাহৰ সৃষ্টি। য'ৰ নায়ক-নায়িকা যুৱ প্ৰজন্মৰ, আধুনিক সময়ৰ মানুহ। ধনী-দুখীয়া দুয়োটা শ্ৰেণীকে সামৰি এখন চহৰত থাকিব পৰা সকলো উপাদানেৰে উপন্যাসখনি ৰচনা কৰিছো। আধুনিক সময়ৰ মানুহেই নহয়, এই সময়টোত কেনেকৈ নিৰ্মিত বা সলনি হ'ব পাৰে চহৰ এখনৰ চৰিত্ৰ, চহৰবাসীৰ কৰ্মকাণ্ডৰে কেনেকৈ প্ৰদূষিত হ'ব পাৰে বতাহ, আকৌ কেনেকৈ পাব পাৰি নিৰ্মল অম্লজানৰ সন্ধান, এই যাত্ৰাৰে সহযাত্ৰী হৈছে এটি নিমাখিত প্ৰেম কাহিনীও।

মণিকুন্তলা ভট্টাচাৰ্যৰ আন এখন সামাজিক উপন্যাস হ'ল *যুদ্ধ অবিৰাম* (২০১৮)। মাহেকীয়া আলোচনী *বিচ্ছুৰিত বৰ্ণালী*ত উপন্যাসখন ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল। উপন্যাসখনত মানৱ জীৱনত অহৰহ চলি থকা সংগ্ৰামৰ চিত্ৰণ কৰা হৈছে। বিদেশিনী বোৱাৰীয়ে এৰি থৈ যোৱা নাতিনীয়েকক লৈ কৰা কিৰণমালাৰ জীৱন সংগ্ৰামৰ ৰূপায়ণ কৰা হৈছে উপন্যাসখনত। মাকে এৰি থৈ যোৱা সন্তানটিয়ে আইতাক আৰু দেউতাকৰ সৈতে ডাঙৰ-দীঘল হয় আৰু নিজস্ব অনুভৱেৰে জীৱন যাত্ৰাৰ পৰিক্ৰমাবোৰ উপলব্ধি কৰে। উপন্যাসখনত আধুনিক মানুহৰ আধুনিক মনন কৰা হৈছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ এখনি আধুনিক সামাজিক উপন্যাস হ'ল *প্ৰিয়বন্ধু* (২০১৯)। উপন্যাসখন সম্পৰ্কত ঔপন্যাসিকাই পাতনিত এইদৰে কৈছে—

> ইতিপূৰ্বে ৰচনা কৰা উপন্যাসবোৰতকৈ 'প্ৰিয়বন্ধু' সম্পূৰ্ণই ব্যতিক্ৰম। এইখন অতি দ্ৰুতবেগী উপন্যাস, মেদহীন, কথোপকথন সৰ্বস্ব। অতি আধুনিক উপন্যাস। যদিও যুৱ প্ৰজন্মক চৰিত্ৰ হিচাপে লৈ কাহিনী বয়ন, কিন্তু ঘটনাক্ৰমত আগবঢ়া চৰিত্ৰৰ মাজেৰে প্ৰকাশিত মানুহৰে কথা। পৃথিৱীৰ সকলো মানুহৰে কথা। মানুহে মানুহে তৰংগ, তৰংগৰে সমষ্টি কাহিনী কথন। আজিৰ সময়ত সহপাঠীৰ সম্পৰ্ক বন্ধুত্বলৈ, বন্ধুত্বৰ হৰ্ষ-বিষাদৰ পৰ্যবসন ক'লৈ কেনেকৈ ঘটে, তাৰেই প্ৰচ্ছায়াত উজ্জীৱিত এই উপন্যাস।

উপন্যাসখন *যুৱতৰা* নামেৰে ধাৰাবাহিকৰূপে 'সাপ্তাহিক জনমভূমি'ত প্ৰকাশ পাইছিল।

মণিকুন্তলা ভট্টাচাৰ্যৰ বৃহৎ কলেৱৰৰ উপন্যাস হ'ল *হিন্দোল* (২০২১)। ৬০২ পৃষ্ঠাৰ উপন্যাসখন মধ্য অসমক পটভূমি হিচাপে লৈ ৰচনা কৰা হৈছে। স্বামীয়ে নৱ-বিবাহিতা পত্নীক এৰি দেশ স্বাধীন কৰিবলৈ সংগ্ৰামলৈ গুচি যোৱাৰ পিছত পৰিয়াল তথা পত্নীৰ মানসিক অৱস্থাৰ মৰ্মস্পৰ্শী প্ৰকাশ ঘটিছে উপন্যাসখনত। উপন্যাসখনৰ পাতনিত এই সম্পৰ্কত ঔপন্যাসিকাই কৈছে—

> অসমৰ ওপৰেৰে যিমানবোৰ বিপ্লৱৰ বতাহ বলিল, সেইবোৰৰ কম্পনত অৱশ্যেই অভিজ্ঞ হৈ গ'ল আমাৰ সমাজ-আমাৰ মানুহ। কেইবাটাও আন্দোলনে দিয়া সাহস আৰু যন্ত্ৰণাৰে যিমানবোৰ সত্য অৱগত হ'ল আমাৰ মানুহৰ, তাৰে হেজাৰ-বিজাৰ পৃষ্ঠা গধুৰ হ'ল। এই উপন্যাসৰ আওতাৰে তেনে প্ৰসংগ অৱশ্যেই আহিছে। এটা সাধাৰণ পৰিয়ালৰ ছবিৰে আমাৰ মানুহৰ ঘৰবোৰলৈ ইংগিত কৰা হৈছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ আন এখন সামাজিক উপন্যাস হ'ল *বিশ্বাস* (২০২১)। বিশ্বাস, বিশ্বাসভংগ আৰু বিশ্বাসভংগৰ পৰাই ব্যক্তিৰ গঢ় লৈ উঠা আত্মবিশ্বাসৰ সৌধ নিৰ্মাণ কৰা হৈছে উপন্যাসখনত। এটি প্ৰেম কাহিনীৰ মাজেৰে ঔপন্যাসিকাই মানুহৰ জীৱনৰ মৰ্মান্তিক সময়ৰ চিত্ৰ অংকন কৰিছে। উপন্যাসখনৰ মূল বক্তব্য বিষয় সম্পৰ্কে ঔপন্যাসিকাই উপন্যাসৰ পাতনিত কৈছে— "প্ৰেমৰ হাত ধৰি আগবঢ়া এই কাহিনী বয়ন কৰি গৈ থাকোতে অনুভৱ কৰিছোঁ প্ৰতাৰিত মানুহৰ কষ্ট আৰু ভাবিছোঁ যে সকলো শেষ হৈ যোৱাৰ পাছতো কেনেকৈ আগুৱাব পাৰে মানুহ, সেয়াহে এই উপন্যাসৰ বক্তব্য হৈ উঠক।"

মণিকুন্তলা ভট্টাচাৰ্যৰ জীৱনবোধৰ ভাৱ প্ৰকাশক উপন্যাস হৈছে *অংগহাৰ* (২০২১)। উপন্যাসখন ৰচনা কৰা সম্পৰ্কত ঔপন্যাসিকাই উপন্যাসখনৰ পাতনিত এনেদৰে কৈছে—

> প্ৰত্যেক মানুহে বহু কথা শব্দেৰে কয়, প্ৰকাশ কৰে কাৰ্যৰে।
> তাৰ পাছতো কথা ৰৈ যায়, গুচি যায় তেওঁৰ শেষ যাত্ৰাত।
> জীৱন চমৎকাৰ। আকস্মিক মৃত্যুৰেও ই বিৰাট চমক দিব জানে।
> কোনে জানে কাইলৈকে মোৰ কি হয়!
> বহু কথা লৈ যাম সম্ভৱতঃ ! তথাপি সময় থাকোতেই কিছু কোৱাৰ প্ৰয়াস, এই 'অংগহাৰ'।

মণিকুন্তলা ভট্টাচাৰ্যৰ শেহতীয়াভাৱে প্ৰকাশিত সামাজিক উপন্যাস হৈছে *নীলপদ্ম* (২০২২)। ঔপন্যাসিকাই ব্যতিক্ৰমধৰ্মী বিষয় এটাক উপন্যাসখনৰ মূল বিষয়বস্তু ৰূপত উপস্থাপন কৰিছে। উপন্যাসখনত পুৰুষৰ শৰীৰ ধাৰণকাৰী অথচ নাৰীৰ দৰে মনৰ গৰাকী চৰিত্ৰৰ জীৱন চিত্ৰণ কৰিছে।

আমাৰ সমাজত এনেকুৱা বহু লোক আছে যিয়ে জন্মগতভাৱে পুৰুষৰ শৰীৰ ধাৰণ কৰিছে যদিও তেওঁলোকে নাৰীৰ দৰে মন একোটা বহন কৰি আহিছে। তেওঁলোকৰ আচাৰ-আচৰণ, ভাৱ-ভংগী সকলো নাৰীৰ দৰেই গঠন হয়। এনে লোক বহু সময়ত সমাজৰ পুতৌ তথা হাঁহিয়াতৰ পাত্ৰ হ'বলগীয়া হয়। যাৰফলস্বৰূপে এনেধৰণৰ লোকসকল মানসিক অন্তৰ্দ্বন্দ্বত ভোগা দেখা যায়। পিতৃ-মাতৃ তথা পৰিয়ালো এই প্ৰসংগত মানসিক যাতনাত ভোগে। কিন্তু এইসকল লোকৰো স্বাভাৱিকভাৱে জীয়াই থকাৰ অধিকাৰ আছে। আচাৰ-আচৰণত কিছু বৈচিত্ৰ্যতা থাকিলেও তেওঁলোকো একো-একোজন মানুহ। এই শ্ৰেণীৰ লোকৰ প্ৰতি লেখিকা সহৃদয় হৈ উঠিছে আৰু তেওঁলোকক সমাজত নাহ্য সন্মান প্ৰদান কৰাৰ উদ্দেশ্যে তথা তেওঁলোকৰ প্ৰতি সমাজৰ দৃষ্টিভংগী সলনি কৰাৰ লক্ষ্যৰে তেওঁ উপন্যাসখন ৰচনা কৰিছে। ঔপন্যাসিকাই উপন্যাসখনৰ পাতনিত কোৱা কথাখিনিৰ পৰা উপন্যাসখন লিখাৰ উদ্দেশ্য স্পষ্ট হৈ পৰিছে। ঔপন্যাসিকাই পাতনিত কৈছে—

> সৃষ্টিৰ বিসংগতি বুলি নকওঁ, সামাজিক বা ন্যায়িক গ্ৰহণযোগ্যতাৰ কথাও নকওঁ; মই কওঁ সেইসকল মানুহৰ কথা; যাৰ এইখন পৃথিৱীত মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ আছে। সমাজ-সময়ৰ পুতৌ-কৰুণা বা ইতিকিঙৰ সন্মুখীন হোৱা সেই সকলৰো যাতনা আছে। যাতনা আছে মাতৃৰো, পিতৃৰো, পৰিয়ালৰো। প্ৰকৃতিৰ হাতত নিৰুপায়! কিন্তু অসহায় যাতে নহওক, এই পৃথিৱীত 'মানুহ' হিচাপে জীয়াই থাকক, প্ৰাপ্য সন্মান লাভ কৰক, তাৰেই চিন্তাৰে ৰচনা কৰিলোঁ 'নীলপদ্ম'।

ঔপন্যাসিকাই বাস্তৱিকতে লগ পোৱা এনেধৰণৰ বহু লোকৰ পৰাই এনেকুৱা এক বিষয়ক লৈ উপন্যাসখন লিখাৰ অনুপ্ৰেৰণা লাভ কৰাৰ কথা উপন্যাসখনৰ পাতনিত কৈছে।

২.০২.০৪.০২ **জীৱনীমূলক উপন্যাস ঃ**

কোনো এজন ব্যক্তিৰ জীৱনকৃতিৰ আধাৰত কল্পনাৰ ৰহন সানি ৰচনা কৰা উপন্যাসেই হৈছে জীৱনীমূলক উপন্যাস। অসমীয়া সাহিত্যত প্ৰাচীন কালৰেপৰা মহান ব্যক্তিৰ জীৱনী ৰচনা কৰা হৈছিল। মধ্যযুগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱনালেখ্য প্ৰকাশক ৰচনাসমূহক চৰিত পুথি বুলি কোৱা হৈছিল। চৰিত পুথি ৰচনাৰ পৰা ফালৰি কাটি আহি ঊনৈছ শতিকাত আধুনিক পদ্ধতিৰে জীৱনী লেখিবলৈ আৰম্ভ কৰা হয়। জীৱনীমূলক উপন্যাস ৰচনাৰ পৰম্পৰা অসমীয়া সাহিত্যত অৰ্বাচীন। অসমীয়া সাহিত্যত এই পৰম্পৰাৰ আৰম্ভণি ঘটায় চৈয়দ

আব্দুল মালিকে। তেওঁ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনৰ আধাৰত ৰচিত *ৰূপতীৰ্থৰ যাত্ৰী* উপন্যাসখনেই হৈছে প্ৰথম অসমীয়া জীৱনীমূলক উপন্যাস। সময়ৰ লগে লগে জীৱনীমূলক উপন্যাসৰ ধাৰাটো অসমীয়া সাহিত্যত সুদৃঢ় হৈ উঠে।

মণিকুন্তলা ভট্টাচাৰ্যইও জীৱনীমূলক উপন্যাস ৰচনাৰ পৰম্পৰাত বৰঙণি আগবঢ়াইছিল। *দেৱবালা* (২০০৯) হৈছে তেওঁ এতিয়ালৈকে ৰচনা কৰা একমাত্ৰ জীৱনীমূলক উপন্যাস। দেৱবালা চলিহাৰ জীৱনৰ আধাৰত *দেৱবালা* উপন্যাসখন লিখা হৈছিল। উপন্যাসখনৰ পাতত দেৱবালা চলিহাৰ শৈশৱৰ পৰা মৃত্যুপৰ্যন্ত সুদীৰ্ঘ সময়ছোৱা অংকন কৰা হৈছে। বিষ্ণুপ্ৰসাদ দুৱৰাৰ বৰজীয়ৰী দেৱবালাৰ জন্ম হৈছিল ১৯০৮ চনৰ ৯ মাৰ্চ তাৰিখে। সৰুৰেপৰা কলিকতাৰ ছেইণ্ট জনছ্ ডায়'চেছন কলেজিয়েট স্কুলত শিক্ষাগ্ৰহণ কৰা দেৱবালা গীত-বাদ্য, খেলা-ধূলা সকলোতে আগবঢ়া আছিল। কিন্তু কম বয়সতে শিৱসাগৰৰ বিখ্যাত চলিহা পৰিয়ালৰ দ্বিতীয় পুত্ৰ যাদৱ প্ৰসাদ চলিহাৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। এটি-দুটিকৈ ৬ টা সন্তানক উপযুক্ত হিচাপে গঢ় দিয়াৰ লগতে দেৱবালা চলিহাই স্বামীৰ ব্যৱসায়িক কামতো হাত উজান দিছিল। সুষ্ঠ সবল মানসিকতাৰ পৰিচয় দি এইগৰাকী সাহসী নাৰীয়ে স্বামীৰ মৃত্যুৰ পিছতো তেওঁ স্থাপন কৰি থৈ যোৱা চাহ বাগিচা তদাৰক কৰিছিল। তেওঁ ব্যক্তিগত প্ৰচেষ্টাত স্কুল স্থাপন কৰাৰ আনুসংগিকভাৱে ভালেমান সামাজিক কামতো লিপ্ত হৈছিল। চলিহাই আছিল অসমীয়া চলচিত্ৰত অভিনয় কৰা প্ৰথম সম্ভ্ৰান্ত পৰিয়ালৰ অভিনেত্ৰী। সাংসাৰিক দায়িত্বত নিয়োজিত হৈও দেৱবালাই চেতাৰ, বেহেলা, পিয়ানো আদি বাদ্যযন্ত্ৰৰে সংগীত চৰ্চা কৰাৰ অনুৰূপভাৱে টেনিছ, বেডমিণ্টন আদি খেলতো অংশগ্ৰহণ কৰিছিল। এইগৰাকী মহিয়সী নাৰীয়ে ১৯৯৯ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে ইহসংসাৰ ত্যাগ কৰিছিল। যি সময়ত নাৰী কেৱল ঘৰৰ চাৰিবেৰৰ মাজত সোমাই থাকি স্বামী আৰু সন্তানৰ প্ৰতিপালনতে গোটেই জীৱন উৎসৰ্গা কৰিছিল সেই সময়ত দেৱবালা চলিহাই এক স্বাধীন আৰু মুক্ত সত্ত্বাৰ পৰিচয় দিছিল। পৰম্পৰাগত ৰক্ষণশীলতাৰ বিপৰীতে তেওঁ নতুন নাৰীৰ দিশে খোজ আগবঢ়াইছিল। চৈয়দ আব্দুল মালিকে *ৰূপতীৰ্থৰ যাত্ৰী* উপন্যাসখনৰ জৰিয়তে অসমীয়া উপন্যাস সাহিত্যৰ পৰম্পৰাত জীৱনীমূলক উপন্যাস নামেৰে যি ধাৰাৰ সৃষ্টি কৰিছিল; মণিকুন্তলা ভট্টাচাৰ্যৰ *দেৱবালা* উপন্যাসখনেও সেইধাৰাত স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

**২.০২.০৪.০৩ আত্মজীৱনীমূলক উপন্যাস ঃ**

আত্মজীৱনীমূলক উপন্যাসত ঔপন্যাসিকে উপন্যাসৰ এটি চৰিত্ৰৰ ৰূপত অৱতীৰ্ণ হৈ

নিজৰ বৈচিত্ৰ্যময় জীৱন কাহিনী বৰ্ণনা কৰে। অৰ্থাৎ ঔপন্যাসিকে নিজেই নিজৰ জীৱন কাহিনীক কলাত্মক ৰূপত উপস্থাপন কৰে। " আত্মজীৱনীমূলক উপন্যাসত কাহিনী কথক বা বক্তাৰ মনোজগত প্ৰকাশ কৰিবৰ বাবে সামাজিক সমস্যা কিছুমানৰ অৱতাৰণা কৰা হয় আৰু এই শ্ৰেণী উপন্যাসত কাহিনীতকৈ চৰিত্ৰৰ উজ্জলতা অধিক প্ৰখৰ হৈ উঠে।"[১১]

মণিকুন্তলা ভট্টাচাৰ্যই নিজৰ জীৱনৰ আধাৰত লিখা ত্ৰিল'জীৰ দুটা খণ্ড ইতিমধ্যে প্ৰকাশ লাভ কৰিছে— ক) *দস্তখত* (২০০৭) আৰু খ) *চৰাইখানা* (২০১৩)।

*দস্তখত* হৈছে তেওঁৰ ত্ৰিল'জীৰ প্ৰথমটো খণ্ড। কিতাপ আকাৰে প্ৰকাশ পোৱাৰ পূৰ্বে অসমীয়া মাহেকীয়া মহিলা আলোচনী *নন্দিনী*ত ই ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল। উপন্যাসখন ৰচনা সম্পৰ্কত ঔপন্যাসিকাই উপন্যাসখনৰ পাতনিত কৈছে—"শোণিতপুৰ জিলাৰ চতিয়াত জীৱনৰ আগছোৱাৰ দীৰ্ঘসময় অতিবাহিত কৰিছিলো। 'দস্তখত তাৰেই বিনম্ৰ ছবি। উপন্যাস নহৈ এইখনে যেন আত্মজীৱনীৰ ৰূপহে ধাৰণ কৰিলেগৈ।" *দস্তখত*ত ঔপন্যাসিকাই শোণিতপুৰ জিলাৰ চতিয়াত থকা সময়ছোৱাত ঘটা বিভিন্ন ঘটনাক উপস্থাপন কৰিছে। উপন্যাসখনত তেওঁ বাস্তৱ জীৱনত লগ পোৱা অধিক সংখ্যক চৰিত্ৰকে সাঙুৰি লৈছে। প্ৰয়োজন সাপেক্ষে কল্পনাৰ আশ্ৰয়ো লোৱা হৈছে। ঔপন্যাসিকাই পাতনিত উল্লেখ কৰা অনুসৰি ১৯৭৩ চনৰ শেষভাগৰ পৰা ১৯৮৩ চনৰ প্ৰথমভাগলৈ ঘটা ঘটনাৰাজী উপন্যাসখনত সামৰা হৈছে। সেয়েহে সমসাময়িক ৰাজনৈতিক ঘটনা কিছুমানৰ প্ৰভাৱো উপন্যাসখনত পৰা পৰিলক্ষিত হৈছে। ঔপন্যাসিকাৰ জীৱনত স্কুলীয়া দিনৰেপৰা প্ৰেমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তেওঁ সমগ্ৰ জীৱনতে প্ৰেমৰ সন্ধান কৰিছিল। *দস্তখত*ৰ অন্তিম পৰ্যায়ত এইবিষয়ে ঔপন্যাসিকাই স্বীকাৰ কৰিছে এনেদৰে—

> এয়া মই 'দস্তখত' লিখি আছোঁ। উপনীত হৈছোহি শেষ স্তৰকত। এতিয়াও প্ৰথম প্ৰেমৰ ভগা-ছিগা হাঁহাকাৰ। য'ৰ ওপৰত চাহাৰাৰ চাদৰ। তাৰ সুপ্ৰিয়ৰ মৰূদ্যান...। আৰু তাৰপাছত? তাৰপাছত জীৱনৰ দুটা পৰ্যায় অতিক্ৰম কৰিছো। এই সকলোবোৰেই লিখিম মই 'দস্তখত'ৰ পাছৰ দুটা খণ্ডত। যাক আপুনি 'ত্ৰিলজী' বুলিবও পাৰে। অত্যন্ত সাধাৰণ জীৱন-যাপন কৰা মোৰ দৰে মানসিক শৰীৰেৰে গঢ়া মানুহ এজনীৰ জীৱনৰ তিনিটা স্তৰৰ মুকলি প্ৰকাশ হ'ব সেয়া। যি স্তৰৰ ভেটী বুলিলে সমুখত ৰয়হি তিনিজন পুৰুষ। যিসকলক স্বয়ং ঈশ্বৰপুত্ৰই প্ৰেৰণ কৰিছিল মোৰ বাবে মোৰ জীৱনক এক অনন্য উপলব্ধিৰে সমৃদ্ধ কৰিবলৈকে...।[১২]

মণিকুন্তলা ভট্টাচাৰ্যৰ ত্ৰিল'জীৰ দ্বিতীয় খণ্ডটোৰ নাম হ'ল *চৰাইখানা*। উপন্যাসখনত

কোমল অন্তৰৰ মানসিকভাৱে পৰিপক্ক এগৰাকী নাৰীৰ অন্তৰৰ ভাৱনা প্ৰকাশ কৰা হৈছে। এগৰাকী নাৰীৰ প্ৰেম, আৱেগ, শাৰীৰিক আকৰ্ষণ, দুখ, ক্ষোভ, সকলো প্ৰথম পুৰুষত বৰ্ণনা কৰা হৈছে। ইয়াত এগৰাকী নাৰীৰ বিবাহৰ আগৰ আৰু পিছৰ সময়খিনিৰ অনুভৱ, জীৱন জীয়াৰ কাহিনী ৰূপায়ণ কৰা হৈছে। স্বামীৰ মৰম, স্নেহ আৰু সাহচৰ্যত থকাৰ পিছতো, সন্তানপ্ৰাপ্তিৰ পিছতো প্ৰতিগৰাকী বিবাহিতা নাৰীয়ে পিতৃ-মাতৃৰ মৰম আকলুৱা সন্তান হৈ মৰম বিচাৰে। কিন্তু সমাজৰ প্ৰতিগৰাকী নাৰীৰ বাবে জন্ম লোৱা ঘৰখন এখন চৰাইখানা বা অতিথিশালাহে। তাত কিছুক্ষণ জিৰাব পৰা যায় যদিও একেবাৰে ৰৈ যোৱা নাযায়। ঔপন্যাসিকাইও স্বামী, সন্তানেৰে পৰিপূৰ্ণ হৈও পিতৃ-মাতৃৰ সান্নিধ্যৰ বাবে ব্যাকুল হৈ পৰিছে আৰু অনুভৱ কৰিছে প্ৰকৃততে নাৰীৰ বাবে জন্ম লোৱা ঘৰখন চৰাইখানাহে। এনেদৰে উপন্যাসখনৰ নামকৰণে সাৰ্থকতা লাভ কৰিছে। *দস্তখতত* ঔপন্যাসিকাই শৈশৱতে বাস কৰা চতিয়াৰ বৰ্ণনা দাঙি ধৰাৰ নিচিনাকৈ ইয়াতো চতিয়াৰ কথা, চতিয়াৰ মানুহবোৰৰ কথা আনিছে। এনেদৰেই *দস্তখত*ৰ পিছৰছোৱা সময়ৰ কাহিনী ঔপন্যাসিকাই *চৰাইখানাত* উপস্থাপন কৰিছে।

২.০২.০৪.০৪ **শিশু উপন্যাস ঃ**

শিশুৰ উপযোগীকৈ ৰচনা কৰা বা শিশুই ৰচনা কৰা সাহিত্যই হৈছে শিশু সাহিত্য। মণিকুন্তলা ভট্টাচাৰ্যই শিশুসকলৰ উপযোগীকৈ তিনিখন উপন্যাস ৰচনা কৰি অসমীয়া শিশু সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে। শিশু মনস্তত্ত্বৰ ওপৰত গুৰুত্ব প্ৰদান কৰি উপন্যাস তিনিখন ৰচনা কৰা হৈছে। উপন্যাস তিনিখন এনেধৰণৰ—ক) *শান্ত পাপুহঁতৰ কথাৰে* (২০০৬), খ) *ঈপ্সু* (২০১০), গ) *অৰণ্য* (২০১৬)। ঔপন্যাসিকাই ৰচনা কৰা প্ৰথমখন শিশু উপন্যাস হ'ল *শান্ত পাপুহঁতৰ কথাৰে*। 'অকণিৰ অগ্ৰদূত'ৰ পাতত আধৰুৱাকৈ উপন্যাসখন প্ৰকাশ পাইছিল। শিশু উপন্যাস লিখাৰ আৰম্ভণি সম্পৰ্কত ঔপন্যাসিকাই উপন্যাসখনৰ পাতনিত এনেদৰে কৈছে—

> এই পৃথিৱীৰ প্ৰত্যেকজন মানুহৰ দৰে ময়ো সৰকি আহিছো শৈশৱৰ সোনোৱালী সুৰংগৰে। ক্ষেত্ৰ আৰু পৰিস্থিতি ভেদে শৈশৱ যেনেকুৱাই নহওক, মানুহে সেয়া পাহৰিব নোৱাৰে। আচলতে জীৱনৰ বুনিয়াদ গঠনত শৈশৱৰ এক অনন্য ভূমিকা প্ৰত্যেকেই স্বীকাৰ কৰিব। সেয়েহে আমি শৈশৱক স্মৰণ কৰি আহ্লাদিত হওঁ। শিশুহঁতৰ মাজত সময় কটাবলৈ ভাল পাওঁ। যেন নিজকে বিচাৰি পাওঁ তেওঁলোকৰ মাজত। আজি ময়ো তেনে এক প্ৰচেষ্টাৰে প্ৰিয় পাঠকলৈ আগবঢ়াইছো এই শিশু উপন্যাসখনি।

উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ হিচাপে শান্তু নামৰ চতুৰ্থ শ্ৰেণীত পঢ়া এগৰাকী কণমানি স্কুলীয়া ছাত্ৰক উপস্থাপন কৰা হৈছে। শিশুৰ কল্পনাবিলাসী মন, আইতাকলৈ আন্তৰিকতা, অংক কৰিবলৈ বেয়া পোৱা শান্তুৰ দেউতাকলৈ ভয়, সপোন, শিশু মনৰ সৰলতা, আনক সহায় কৰা স্বভাৱ, অনুসন্ধিৎসু মন আদি শিশু মনস্তত্ত্বৰ লগত জড়িত বিভিন্ন দিশ শান্তু চৰিত্ৰৰ মাজেৰে সুন্দৰকৈ উপস্থাপন কৰা হৈছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ দ্বিতীয়খন শিশু উপন্যাস হ'ল *ঈশ্মু*। *শান্তু পাপুহঁতৰ কথাৰে* উপন্যাসখনৰ লেখিয়াকৈ *ঈশ্মু* উপন্যাসতো শিশু মনৰ লগত জড়িত বিভিন্ন দিশ পোহৰলৈ অনা হৈছে। অনুসন্ধিৎসু মনৰ গৰাকী দ্বিতীয় শ্ৰেণীত পঢ়া ঈশ্মুক কেন্দ্ৰ কৰি উপন্যাসখনৰ কাহিনী আগবাঢ়িছে। ঘৰৰ মুৰ্গী পোৱালীৰ লগতো বন্ধুৰ নিচিনাকৈ কথা পতা সহজ-সৰল ঈশ্মুৰ সকলো জীৱ-জন্তুৰ প্ৰতিয়ে অত্যাধিক প্ৰেম। নিজৰ ভায়েকৰ মৃত্যুই কণমানি ঈশ্মুৰ কোমল অন্তৰত আঘাত কৰিছিল। সেয়েহে মুৰ্গী পোৱালী ধৰ্মেন্দ্ৰও হেৰাই যোৱাৰ ভয়ত শংকিত হৈ পৰিছে। অনিসন্ধিৎসু মনৰ গৰাকী ঈশ্মুই চাৰিওফালে ঘটি থকা বিভিন্ন ঘটনা সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ উপৰিও অম্বিকা বৰমাকক ডাইনী সজাই গাঁৱৰ মানুহবোৰে কৰা অত্যাচাৰৰ পৰা ৰক্ষা কৰিছিল। উপন্যাসখনত ঈশ্মুৰ সৰলতা, স্পষ্টবাদিতাৰ প্ৰকাশ ঘটিছে এনেদৰে—"স্কুলত মাষ্টৰে কিবা প্ৰশ্ন সুধিলে উত্তৰটো যিয়ে জানে, সি হাত এখন ওপৰলৈ তুলি দিয়া নিয়ম। সেইকাৰণে, এৰা সেইকাৰণেই ঈশ্মুৱে তাৰ সোঁহাতখন ওপৰলৈ দাঙি দিলে। কাৰণ অম্বিকা বৰমা ক'ত আছে, সি জানে।"[১৩] যিসময়ত গাওঁবাসীয়ে অত্যাচাৰ কৰি খেদি পঠোৱা অম্বিকাৰ খবৰ পুলিচৰ আগত ক'বলৈ অস্বীকাৰ কৰিছিল সেইসময়ত শিশু ঈশ্মুই পুলিচক সকলো কথা কৈ অম্বিকাৰ জীৱন ৰক্ষা কৰিছিল।

মণিকুন্তলা ভট্টাচাৰ্যৰ শেহতীয়া শিশু উপন্যাসখন হ'ল *অৰণ্য*। ঔপন্যাসিকাৰ আন দুখন শিশু উপন্যাসতকৈ *অৰণ্য* পৃথক। ইয়াত বিষয়বস্তু উপস্থাপনৰ ক্ষেত্ৰত ঔপন্যাসিকাই সুকীয়া আংগিকৰ ব্যৱহাৰ কৰিছে। চৰিত্ৰৰ ৰূপত মানুহৰ পৰিৱৰ্তে অৰণ্যৰ জীৱ-জন্তুক অৱতীৰ্ণ কৰাইছে। সেই অনুসাৰে জীৱ-জন্তুৰ মুখত পৰিৱেশন কৰিছে মানুহে ব্যৱহাৰ কৰা ভাষা। শিশুৰ মানসিক জগতখন সুকীয়া। শিশুৰ কল্পনাপ্ৰৱণ মনক জীৱ-জন্তুৱে বিশেষভাৱে প্ৰভাৱিত কৰে। সাধুকথাসমূহতো সেয়েহে জীৱ-জন্তুৰ মুখত বিভিন্ন ভাষা দি শিশুৰ আকৰ্ষণ বঢ়াবলৈ যত্ন কৰা হয়। সাধুকথাসমূহত ভালুক, শিয়াল, হৰিণ আদিয়েও মানুহৰ দৰে কথা ক'ব পাৰে আৰু মানুহৰ নিচিনাকৈ আচাৰ-আচৰণ প্ৰকট কৰে। এইবোৰে শিশু মনক আহ্লাদিত কৰি ৰখাৰ লগতে শিশুৰ ভাৱৰাজ্যত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰে। মণিকুন্তলা ভট্টাচাৰ্যইও শিশু মনক আকৰ্ষিত কৰিবৰ বাবেই *অৰণ্য* উপন্যাসখনত

অৰণ্যত বাস কৰা বিভিন্ন জন্তুক চৰিত্ৰ হিচাপে অৱতীৰ্ণ কৰিছে। এই চৰিত্ৰসমূহ মানুহৰ দৰেই আৱেগ-অনুভূতিপূৰ্ণ। অৰণ্যত বাস কৰা জন্তুবোৰৰ বিভিন্ন সংঘাত, মৰম-স্নেহ, আন্তৰিকতা, কাৰ্য-কলাপৰ বৰ্ণনা শিশু মনক আকৰ্ষিত কৰিব পৰাকৈ আকৰ্ষণীয় ৰূপত উপস্থাপন কৰা হৈছে।

উপন্যাস তিনিখন শিশুৰ বাবে আকৰ্ষণীয় কৰি তুলিবৰ বাবে ঔপন্যাসিকাই বিষয়ৰ লগত সংগতি ৰাখি বিভিন্ন চিত্ৰৰ অন্তৰ্ভূক্ত কৰিছে। এই চিত্ৰসমূহে শিশুৰ আকৰ্ষণ বৃদ্ধি কৰাৰ লগতে উৎসুকতাও বৃদ্ধি কৰিব। এই দিশটোৰ প্ৰতি গুৰুত্ব ৰাখিয়েই ঔপন্যাসিকাই শিশু উপযোগী বিভিন্ন চিত্ৰৰ সন্নিৱিষ্ট কৰিছে।

২.০২.০৫ **উপন্যাস সংকলন ঃ**

বৰ্তমান সময়লৈকে মণিকুন্তলা ভট্টাচাৰ্যৰ ছয়খন উপন্যাস সংকলন প্ৰকাশ পাইছে—ক) *ভিভিয়ানৰ লিলি* (২০০৭), খ) *মা মেক'লে চাহাব আৰু বাট্ৰেশালৰ পিতা* (২০০৮), গ) *কাচৰ পিৰামিড* (২০১০), ঘ) *তিনিখন উপন্যাস* (২০১৪), ঙ) *তিনিখন উপন্যাস-(২)* (২০১৬), চ) *প্ৰেমৰ পৃথিৱী* (২০১৮)।

সময়ে সময়ে বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পোৱা কলেৱৰত সৰু উপন্যাসসমূহক একত্ৰিত কৰি তেওঁ সংকলন কেইখন প্ৰকাশ কৰি উলিয়াইছে। মণিকুন্তলা ভট্টাচাৰ্যৰ প্ৰথমখন উপন্যাস সংকলন *ভিভিয়ানৰ লিলিত* ঔপন্যাসিকাৰ ছয়খন উপন্যাস সন্নিৱিষ্ট কৰা হৈছে। উপন্যাসকেইখন হ'ল— *ভিভিয়ানৰ লিলি, জ্যোৎস্না, দৰদী দৰথী, ৰাস্না, অন্য এক অৰুন্ধতী* আৰু *দোক-মোকালি*। *ভিভিয়ানৰ লিলি* উপন্যাসখনত এগৰাকী কিশোৰীৰ মনস্তত্ত্বৰ প্ৰকাশ ঘটিছে। ককায়েকৰ সখীয়েক হিচাপে ভিভিয়ান ভাৰতলৈ আহিলে কথকৰ ঘৰলৈও আহে। এনেদৰেই কথক ভিভিয়ানৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল যদিও ভিভিয়ানে কথকৰ প্ৰতি কোনোধৰণৰ আগ্ৰহ প্ৰকাশ নকৰাত চৰিত্ৰটো মানসিক যন্ত্ৰণাত ভুগিছে। আনকি উভতি যোৱাৰ পৰতো ভিভিয়ানে সিহঁতৰ কলনিৰ পান্না নামৰ ধুনীয়া ছোৱালীজনীক উদৰ'জ এপাহ দি যোৱাৰ কথা শুনি চৰিত্ৰটোৰ অন্তৰ বিষাদেৰে ভৰি পৰিছে। কথকে নিজৰ মনৰ অৱস্থা সম্পৰ্কত কৈছে—"মুহূৰ্ততে মোৰ বুকুৰ ভিতৰত অকথ্য যন্ত্ৰণাৰ সৃষ্টি হ'ল। দুখ নে আঘাত, নে তাৰো ওপৰৰ অন্য এক কঠোৰ আঘাত সুলভ অনুভূতিত মোৰ ভিতৰখনত হাহাকাৰৰ সৃষ্টি হ'ল।"[১৪] সামৰিক আৱাসিক অঞ্চলৰ পটভূমিত ৰচিত উপন্যাসখনত নাৰী মনৰ দুখ-যন্ত্ৰণা, নিঃসংগতা, বিষাদবোধ, ঈৰ্ষাপৰায়ণতা আদিৰ বহিৰ্প্ৰকাশ ঘটিছে। উপন্যাসখন ৰচনা কৰা সম্পৰ্কত ঔপন্যাসিকাই সংকলনখনৰ পাতনিত এনেদৰে কৈছে—

"সামৰিক বিভাগৰ আবাসিক অঞ্চলৰ ভিতৰ'চৰাই মোক বৰকৈ আকৃষ্ট কৰে। যাৰ ফলস্বৰূপে সৃষ্টি হৈছিল 'ভিভিয়ানৰ লিলি'।" উপন্যাসখনৰ শেষত ভিভিয়ানৰ মৃত্যুই কথকক মানসিকভাৱে ভাৰাক্ৰান্ত কৰি তুলিছিল যদিও চৰিত্ৰটোৰ অন্তৰত প্ৰকৃত প্ৰেমৰ জ্ঞান উদয় হৈছিল। ঔপন্যাসিকাই *জ্যোৎস্না* উপন্যাসখন লিখাৰ প্ৰেৰণা লাভ কৰিছিল মামণি ৰয়ছম গোস্বামীৰ পৰা। এই সম্পৰ্কত সংকলনখনৰ পাতনিত ঔপন্যাসিকাই কৈছে—

> ২০০৭ চনৰ প্ৰথমৰ ফালে মাৰ্ঘেৰিটা-লিডুৰ এখন সভাত যোগদান কৰিবলৈ যাওঁতে এগৰাকী মহিলাৰ সাক্ষাৎ পাইছিলো, যি সৰলভাৱে স্বামীৰ মৃত্যুৰ বৰ্ণনা কৈ শুনাইছিল। ৰাজনীতিবিদ সেই ব্যক্তিয়ে নিৰ্বাচনত প্ৰাৰ্থী হিচাপে থিয় দি কিদৰে আমন্ত্ৰণ কৰিছিল মৃত্যুক, অতি কৰুণ আছিল সেই কাহিনী। শুনি স্তব্ধ হৈ ৰৈ গৈছিলো। কাষত মামণি ৰয়ছম গোস্বামী আছিল, খোৱামেজত মোৰ চকুলৈ চাই ক'লে—লিখি পেলাবা। যাৰ ফলত সৃষ্টি হ'ল 'জ্যোৎস্না'। যি উপন্যাস নিতান্তই চমু সময়ৰ বাবে শুনিবলৈ পোৱা এগৰাকী নিৰুপায় নাৰীৰ হাহাকাৰৰ এক ক্ষুদ্ৰ চিত্ৰহে মাথোন।

ঔপন্যাসিকাই এই বাস্তৱ কাহিনীটোৰেই উপন্যাসখন নিৰ্মাণ কৰিছে। উপন্যাসখন ২০০৭ চনৰ 'অসম বাণী'ৰ ৰঙালী বিহু সংখ্যাত প্ৰথমে প্ৰকাশ হৈছিল। লেখিকাৰ কলমত স্বামীৰ মৃত্যুৰ পিছতো স্বামীক অন্তৰত ধাৰণ কৰি থকা এগৰাকী পত্নীৰ মনস্তত্ত্বৰ সাৰ্থক প্ৰকাশ ঘটিছে। কেন্দ্ৰীয় চৰিত্ৰ জ্যোৎস্নাৰ মনস্তত্ত্ব বৰ্ণনা প্ৰসংগত উপন্যাসখনৰ বৰ্ণনাকাৰী কথকজনৰ মনস্তত্ত্বৰো বহিৰ্প্ৰকাশ হৈছে। কথকে কৈছে—"সঁচাকৈয়ে, সঁচাকৈয়েতো পৃথিৱীৰ কোনো নাৰীৰ বাবে কেতিয়াও মৃত্যু নঘটে তেওঁৰ স্বামীৰ। কেৱল দাহ কৰা হয় শৰীৰক। সেই পুৰুষ জীয়াই থাকে, যিমান দিনলৈকে জীয়াই থাকে তেওঁৰ পত্নী।"[১৫] স্বামীহাৰা জ্যোৎস্নাৰ মানসিক যন্ত্ৰণাক উপলব্ধি কৰি কৰা কথকৰ বক্তব্যই কথকজনৰ মনস্তাত্ত্বিক দিশ উদ্ভাসিত কৰি তুলিছে এনেদৰে। জম্মুৰ পটভূমিত ৰচিত উপন্যাস হ'ল *দৰদী দৰথি*। উপন্যাসখনত বৈবাহিক জীৱনত নিঃসংগতাত ভোগা এগৰাকী নাৰীৰ মানসিক যন্ত্ৰণা উপস্থাপন কৰা হৈছে। দৰথিৰ সন্তানৰ গৰ্ভতে মৃত্যু হোৱাত সন্তানৰ মোহত আড়ষ্ট স্বামী পুবেৰুণৰ দৰথিৰ প্ৰতি অসন্তুষ্টতা বৃদ্ধি পাইছিল। সেয়েহে সন্তান জন্ম দিব পৰা ক্ষমতা হেৰুৱাই স্বামীক দ্বিতীয় বিবাহৰ বাবে আগবঢ়াই দি নিজেই আঁতৰি আহিলেও বিচ্ছেদৰ যন্ত্ৰণা সহিব নোৱাৰা চৰিত্ৰটোৰ অন্তৰত মৃত্যু চেতনা জাগি উঠিছিল। প্ৰেম, আপোন মানুহৰ সংগ বিচাৰি ফুৰা চৰিত্ৰটোৰ মনস্তাত্ত্বিক দিশসমূহ উপন্যাসখনত উদ্ভাসিত হৈছে। পৰৱৰ্তী সময়ত

শ্যামলৰ মাজত নিজলৈ প্ৰেম বিচাৰি পোৱা চৰিত্ৰটোৱে শ্যামলক আদৰি লৈছে যদিও পিছলৈ শ্যামলৰ পৰাও অৱহেলা পাবলৈ ধৰাত নাৰী হৃদয় পুনৰ নিঃসংগতা, হতাশাত ডুব গৈছে। প্ৰচণ্ড ক্ষোভ আৰু প্ৰতাৰিত হোৱা বেদনাই চৰিত্ৰটোক কাবু কৰিছে যদিও চৰিত্ৰটোৱে শক্তিশালী স্থিতি গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। *ৰাস্না* সত্য কাহিনীৰ আধাৰত ৰচিত উপন্যাস। এই উপন্যাসখনৰ কাহিনী সম্পৰ্কত ঔপন্যাসিকাই সংকলনখনৰ পাতনিত কৈছে—"'ৰাস্না' সত্য কাহিনীৰ আলমত ৰচিত। মোৰ স্বামী পৰাণ কুমাৰ ফুকনে বিচাৰকৰ আসনৰ পৰা লক্ষ্য কৰা এক বিধ্বস্ত ঘটনা আছিল সেয়া।" ২০০৫ চনত 'জনমভূমি' কাকতৰ ৰঙালী বিহু সংখ্যাত উপন্যাসখন প্ৰথম প্ৰকাশ হৈছিল। উপন্যাসখনত প্ৰেমৰ ভয়ানক পৰিণতিৰ চিত্ৰণ কৰা হৈছে লগতে মানুহৰ অমানুষিক ৰূপটোও ইয়াত প্ৰকট হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়া ৰাস্না নামৰ ছোৱালীজনীয়ে সকলোৰে চকুত ধূলি দি প্ৰেমিকৰ সান্নিধ্য বিচাৰি আহি প্ৰেমিকৰ বন্ধুৰ হাতত ধৰ্ষিতা তথা প্ৰেমিকৰ হাতত অকাল মৃত্যুক সাৰটি ল'বলগীয়া হোৱাৰ মৰ্মস্পৰ্শী বৰ্ণনা উপন্যাসখনৰ কাহিনী ৰূপত উপস্থাপন কৰা হৈছে। সংকলনখনত সন্নিৱিষ্ট আন দুখন উপন্যাস *অন্য এক অৰুন্ধতী* আৰু *দোক-মোকালিৰ* মাজেৰে নাৰী মনস্তত্ত্বৰ বিভিন্ন দিশ প্ৰতিভাত হৈছে।

*কাচৰ পিৰামিড* সংকলনখনত *কাচৰ পিৰামিড, সনাতন সেউজীয়া, অমৃত, স্বাভিমান, মৰুদ্যান* নামেৰে পাঁচখন উপন্যাস অন্তৰ্ভূক্ত কৰা হৈছে। *কাচৰ পিৰামিড* উপন্যাসখনত সন্তানহীনা নাৰী-পুৰুষৰ মনস্তত্ত্বৰ প্ৰকাশ ঘটিছে। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ নুৰিয়া সন্তানহীনা হোৱাৰ বাবেই শ্বেৰ সিঙে দ্বিতীয় বিবাহ কৰাইছিল। শ্বেৰ সিঙৰ বিশ্বাসঘাটকতা, সন্তানহীনতাৰ দুখ আদিয়ে নুৰিয়াক মানসিক যন্ত্ৰণা দিছিল যদিও পৰৱৰ্তী সময়ত চৰিত্ৰটো সুস্থিৰ হৈ উঠিছে। আনৰ সন্তানৰ মাজত সুখৰ সন্ধান কৰি নুৰিয়াই মানসিক যন্ত্ৰণাৰ উপশম ঘটাইছে। দ্বিতীয়া পত্নীৰ পৰাও সন্তান নোহোৱাত শ্বেৰ সিং পুনৰ তাইৰ জীৱনলৈ উভতি অহাত নুৰিয়াই শ্বেৰ সিঙক গ্ৰহণ নকৰি চৰিত্ৰটোৰ সবল মানসিকতাৰ পৰিচয় দিছে। উপন্যাসখনত নুৰিয়া চৰিত্ৰৰ মাজেৰে নাৰীৰ অৱচেতন মন, অৱদমিত ইচ্ছাকাংক্ষা, কামনা-বাসনা, মানসিক দ্বন্দ্ব আদি সাৰ্থক ৰূপত প্ৰকাশ ঘটিছে। *সনাতন সেউজীয়া* আৰু *স্বাভিমান* উপন্যাস দুখনৰ মাজেৰে ঔপন্যাসিকাই পুৰুষ মনস্তত্ত্বৰ চিত্ৰণ কৰিছে। *অমৃত* উপন্যাসখনত কিশোৰ-কিশোৰীৰ প্ৰেমৰ অনুৰাগক মূল বিষয় হিচাপে উপস্থাপন কৰা হৈছে। ইয়াৰ সমান্তৰালভাৱে উপন্যাসখনত নেপালী সম্প্ৰদায়ৰ পূজা-পাৰ্বণ, ধৰ্মীয় বিশ্বাস, পৰম্পৰাৰো বিৱৰণ দাঙি ধৰা হৈছে। *মৰুদ্যান* উপন্যাসখনত এগৰাকী লেখিকাৰ জীৱন অভিজ্ঞতা তথা মনস্তত্ত্বৰ উপস্থাপন কৰা হৈছে।

*প্ৰেমৰ পৃথিৱী* সংকলনখনত সন্নিৱিষ্ট উপন্যাসসমূহ এনেধৰণৰ— *প্ৰেমৰ পৃথিৱী, মাহুত*

*বন্ধু ৰে, ১৯৮৩, ধোঁৱা, নতুন পুৰুষ, সন্ধ্যা যেতিয়া নামে*। *প্ৰেমৰ পৃথিৱী* উপন্যাসখনত নাৰী-পুৰুষৰ চিৰন্তন প্ৰেম কাহিনী উপস্থাপন কৰা হৈছে। মাক ঢুকোৱা লেঙেৰী ছোৱালী অন্নদাই বাপেক ব্ৰহ্মচাৰী হৈ ঘৰ এৰাৰ পিছত ভায়েকৰ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হৈছিল। উপন্যাসখনত নাৰী মনস্তত্ত্বৰ প্ৰকাশ ঘটাৰ লগতে অন্নদাৰ ভায়েক শৈলেনৰ চৰিত্ৰটোৰ জৰিয়তে কিশোৰ মনস্তত্ত্বৰো ৰূপায়ণ কৰা হৈছে। প্ৰেমৰ বাবেই জগন্নাথে পৰিয়াল, সমাজ একোৰে কথা নভবাকৈ অন্নদাক গ্ৰহণ কৰিছিল। এনেদৰেই উপন্যাসখনত প্ৰেমৰ জয়গান গোৱা হৈছে। *মাহুত বন্ধু ৰে* উপন্যাসখন ঔপন্যাসিকাৰ এখন ভিন্নধৰ্মী উপন্যাস। ইয়াত হাতী আৰু হাতী মাউতৰ মাজত হোৱা আত্মিক সম্পৰ্কৰ কথা উপস্থাপন কৰা হৈছে। উপন্যাসখনত হাতী মাউত গৌৰিশংকৰৰ বাবে হাতী কিৰণমালা আৰু তাইৰ সন্তানটো মানৱ শিশুৰ দৰে। নিজৰ সন্তানৰ দৰে তেওঁ সিহঁতৰ যত্ন-প্ৰতিপালন কৰিছে। উপন্যাসখনত গৌৰিশংকৰৰ মনস্তাত্ত্বিক দিশটো উদ্ভাসিত কৰি তোলা হৈছে। গৌৰিশংকৰৰ মনস্তত্ত্বত শৈশৱৰ পৰিয়াল চক্ৰত লাভ কৰা অভিজ্ঞতাৰ প্ৰভাৱ পৰিছে। গৌৰিশংকৰ সৰু থাকোঁতেই মাকে হাতীৰ মহলদাৰ এটাৰ লগত সম্পৰ্ক স্থাপন কৰাত দেউতাকে শিশু গৌৰিশংকৰক লগত লৈ অন্য ঠাইলৈ গুছি গৈছিল। পিতৃৰ ছাঁৰ দৰে থকা গৌৰিশংকৰ পিতৃৰ মৃত্যুৰ পিছত অকলশৰীয়া হৈ পৰিছিল। নিঃসংগতাক আদৰি লোৱা চৰিত্ৰটোৱে বিয়া-বাৰুৰ কথা চিন্তা নকৰি হাতীৰ লগতে নিজৰ পৃথিৱীখন সজাই লৈছিল। উপন্যাসখনত হাতী সম্পৰ্কীয় বিভিন্ন বিষয়ৰ লগতে হাতীৰ লগত জড়িত পূজা-পাৰ্বণ, লোকবিশ্বাস, পৰম্পৰা, গীত-মাত আদিৰো ঔপন্যাসিকাই সুন্দৰ উপস্থাপন কৰিছে। চৰকাৰে গছ কটা বন্ধ কৰাৰ পিছত কিৰণমালাক মালিকে যেতিয়া টুৰিজমৰ বাবে কাজিৰঙালৈ পঠিয়াইছিল তেতিয়া গৌৰিশংকৰ মানসিকভাৱে ভাগি পৰিছিল। কিৰণমালাৰ লগত বিচ্ছেদৰ যাতনা সহিব নোৱাৰি গৌৰিশংকৰো কিৰণমালাৰ পিছে পিছে গৈ কাজিৰঙা পাইছিল। এনেদৰেই উপন্যাসখনত হাতী আৰু মাউতৰ স্বাৰ্থশূন্য আত্মিক সম্পৰ্ক হৃদয়স্পৰ্শী ৰূপত তুলি ধৰা হৈছে। *ধোঁৱা* উপন্যাসখনত কেন্দ্ৰীয় চৰিত্ৰ হিচাপে এগৰাকী লেখিকাক উপস্থাপন কৰা হৈছে। লেখিকাগৰাকীৰ জীৱন অভিজ্ঞতা, মনস্তত্ত্ব এইবোৰেই উপন্যাসখনৰ মূল বিষয়বস্তু। প্ৰেমৰ বাবেই অন্য সম্প্ৰদায়ৰ কিশোৰৰ সৈতে ঘৰৰ অমতত বিয়াত বহাৰ পিছত কিশোৰৰ আচাৰ-আচৰণে চৰিত্ৰটোৰ জীৱনলৈ শূন্যতা কঢ়িয়াই আনিছিল। উপন্যাসৰ পাতত নিঃসংগতাৰ চিত্ৰণ কৰা লেখিকাগৰাকী ব্যক্তিগত জীৱনতো যে নিঃসংগ আছিল সেইকথা স্বীকাৰ কৰিছে এনেদৰে—"উপন্যাসৰ চৰিত্ৰবোৰে অহৰহ অনৰৰত মোৰ চাৰিওফালে কোলাহল কৰি থাকে কাৰণে বুজিও নুবুজোঁ প্ৰকৃত জীৱনত যে সঁচাকৈয়ে কোনো নাই মোৰ আশে-পাশে।"[১৬] অন্য সম্প্ৰদায়ৰ লগত বিয়াত বহা হেতুকে পৰিয়ালৰ মানুহেও

চৰিত্ৰটোক আদৰি নোলোৱাত চৰিত্ৰটো একাকীত্বত ভুগিছিল। ইয়াৰ পৰিপেক্ষিততে চৰিত্ৰটোৰ অৱচেতন মনত পৰপুৰুষ মোস্তাফাই স্থান লাভ কৰিছিল। *সন্ধ্যা যেতিয়া নামে* উপন্যাসখনত বিবাহ বহিৰ্ভূত প্ৰেমৰ সম্পৰ্ক ৰূপায়ণ কৰা হৈছে। বিবাহ বহিৰ্ভূত সম্পৰ্ক স্থাপন হ'লেও সুস্মিতা আৰু ৰায়চাহাবে নৈতিকতাক পাহৰা নাই। প্ৰেমৰ জৰিয়তে চৰিত্ৰ দুটাই মানসিক শান্তিৰ সন্ধান কৰিছে। উপন্যাসখনত মানসিক দ্বন্দ্ব, অৱচেতন মনৰ অৱদমিত ইচ্ছাকাংক্ষা, নিঃসংগতা, একাকীত্ব আদি মানুহৰ মনস্তত্ত্বৰ লগত জড়িত বিষয়সমূহ স্পষ্ট ৰূপত প্ৰকাশ পাইছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস সংকলনসমূহত সন্নিৱিষ্ট ৰচনা কেইখনক ঔপন্যাসিকাই উপন্যাস আখ্যা দিছে যদিও এইবোৰৰ পৰিসৰ কম। যিবিলাক কাহিনীৰ দৈৰ্ঘ্য উপন্যাসতকৈ কম আৰু চুটিগল্পতকৈ দীঘল সেইবোৰ কাহিনীক উপন্যাসিকা বোলা হয়। ঔপন্যাসিকাৰ সংকলনত অন্তৰ্গত কাহিনীসমূহৰ পৰিসৰলৈ লক্ষ্য কৰি এইবোৰক বহুতে উপন্যাসিকা বুলি ক'ব বিচাৰে। *ভিভিয়ানৰ লিলি* সংকলনৰ পাতনিত ঔপন্যাসিকাই এই সম্পৰ্কত এনেদৰে কৈছে—“ৰচনাকেইখন উপন্যাসৰ সাঁচত ৰচিত হ'লেও আকৃতিত শিশু। সেয়েহে উৎসৱবিশেষ আলোচনীত প্ৰকাশ হোৱা পৰিসৰলৈ চাই বহুতে এইবোৰক উপন্যাসিকা বুলিও অভিহিত কৰে।”

**২.০২.০৬ অনুবাদ কৰ্ম ঃ**

মণিকুন্তলা ভট্টাচাৰ্যই সাহিত্যৰ অন্যান্য ক্ষেত্ৰসমূহৰ লেখিয়াকৈ অনুবাদ সাহিত্যৰ ক্ষেত্ৰখনতো খোজ পেলাইছিল। তেওঁৰ অনুবাদ কৰ্মসমূহ এনেধৰণৰ— ক) *গমনা* (২০১৫), খ) *মৰমৰ থিউ* (২০১৬), *গ) তৰ্জমা* (২০১৬)।

তেওঁ উৰ্দু সাহিত্যিক হাবিব কাঈফীৰ উপন্যাস এখন *গমনা* নামেৰে অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। ভিনচেণ্ট ভেন গঘৰ *ড্যা লেটাৰচ্ অৱ ভিনচেণ্ট ভেন গঘ* নামৰ কিতাপখন *মৰমৰ থিউ* নামেৰে অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। ২০১৬ চনত তেওঁৰ নিৰ্বাচিত হিন্দী কবিতাৰ অসমীয়া অনুবাদ *তৰ্জমা* প্ৰকাশ পায়। এনেদৰেই মণিকুন্তলা ভট্টাচাৰ্যই অসমীয়া অনুবাদ সাহিত্যৰ ক্ষেত্ৰখনতো অৱদান আগবঢ়াইছিল। অসমীয়া পাঠক সমাজৰ বাবে তেওঁ উপন্যাসৰ লগতে বহুতো কবিতা অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। তেওঁ হিন্দী কবি মণিমোহন নিখিল শেষাণৰ কবিতাকে ধৰি বহু কবিৰ কবিতা অন্য ভাষাৰপৰা অসমীয়া ভাষালৈ অনুবাদ কৰিছে। ইয়াৰ জৰিয়তে লেখিকাই অসমীয়া পাঠক শ্ৰেণীক দেশ-বিদেশৰ সাহিত্যৰ সৈতে পৰিচয় কৰাই দিবলৈ সক্ষম হৈছিল। অসমীয়া পাঠকৰ বাবে অনুবাদ কৰিবলৈ যাওঁতে তেওঁৰ অভিপ্ৰেত পাঠকৰ মনস্তত্ত্বৰ প্ৰতি লক্ষ্য ৰাখিছে যদিও

মূলৰ ভাৱটো হেৰাই যাবলৈ তথা পৰিৱৰ্তন হ'ব দিয়া নাই। সৃষ্টিশীল সাহিত্যৰাজীৰ উপৰিও অনুবাদ কৰ্মৰ মাজেৰেও সাহিত্যিকগৰাকীৰ সাহিত্যিক প্ৰতিভাৰ প্ৰকাশ হৈছিল।

**২.০২.০৭ অন্যান্য ঃ**

গল্প, কবিতা, প্ৰবন্ধ, উপন্যাস, অনুবাদ কৰ্মৰ উপৰিও অন্যান্য কিছুমান ক্ষেত্ৰতো মণিকুন্তলা ভট্টাচাৰ্যৰ দখল থকা আমি দেখিবলৈ পাওঁ। এইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল—ক) স্তম্ভ লেখন খ) চিত্ৰনাট্য আৰু গ) সাধুকথা।

মণিকুন্তলা ভট্টাচাৰ্যই 'অগ্ৰদূত' কাকতত ২০০১ চনৰ পৰা ২০০৪ চনলৈকে নিয়মীয়াভাৱে কলম লিখিছিল। ইয়াৰ শিৰোনাম আছিল 'শব্দ আৰু সত্য'। তেওঁ 'অসমীয়া প্ৰতিদিন' কাকতৰ দেওবৰীয়া *সম্ভাৰ*ত 'অনুভৱ' শিৰোনামাৰে কলম লিখিছিল। 'জনমভূমি' কাকতত 'আকাংক্ষা' শিৰোনামেৰে নিয়মীয়াভাৱে কলম লিখিছিল। কিন্তু ক'ভিডকালত সেয়া লিখিবলৈ বন্ধ কৰিছিল যদিও বৰ্তমানে বিশেষ সংখ্যাবোৰত পুনৰ শিতানটো লিখিবলৈ আৰম্ভ কৰিছে। 'নিয়মীয়া বাৰ্তা' কাকতত 'জংছন' শিৰোনামেৰে কলম লিখিবলৈ আৰম্ভ কৰিছিল। কিন্তু কোনো কাৰণবশতঃ দুটা খণ্ড প্ৰকাশ পোৱাৰ পিছত সেয়া বন্ধ হৈছিল।

মণিকুন্তলা ভট্টাচাৰ্যই এঘাৰখন চিত্ৰনাট্য ৰচনা কৰিছে। সেইবোৰ হ'ল— *উন্মিলন, চামিয়ানা, বৰদোৱানী, উপলব্ধিৰ অনুগ্ৰাহক, সন্ধ্যা, অস্তিত্ব, গেট ওৱে, বগৰী বৰুৱা ইত্যাদি, অৰুন্ধতী, মীমাংসা, সমীপেষু*। চিত্ৰনিৰ্মাতা মঞ্জু বৰাৰ বাবে তেওঁ *প্ৰস্তৰ কন্যা* গল্প পুথিখনত সন্নিৱিষ্ট 'উপলব্ধিৰ অনুগ্ৰাহক' নামৰ গল্পটোৰ চিত্ৰনাট্য লিখিছিল। কুলদা কুমাৰ ভট্টাচাৰ্য আৰু মণিকুন্তলা ভট্টাচাৰ্য দুয়োজনেই গৱেষণা কৰি লিখা কাহিনী এটা দূৰদৰ্শনৰ ধাৰাবাহিক হিচাপে প্ৰচাৰ হৈছিল। ধাৰাবাহিকখনৰ নাম আছিল *গেট ওৱে*। তেওঁ মুম্বাইৰপৰা অহা এটা দলৰ বাবে *সন্ধ্যা* উপন্যাসৰ চিত্ৰনাট্য লিখিছিল অসমীয়া ভাষাত। তেওঁৰ কন্যা আকাংক্ষা ফুকনে এইখনৰ ইংৰাজী অনুবাদ কৰিছিল। আইনগতভাৱে কিছুমান গাঁৱত ৰাইজৰ আদালত পাতে। তাতেই গাঁৱৰ মানুহৰ কেছবিলাক মীমাংসা কৰি দিয়া হয়। এই মানুহখিনিক দেখুৱাবৰ বাবে তেওঁ নাটক এখন লিখিছিল। নাটকখনৰ নাম আছিল *মীমাংসা*। এইখনৰ কাহিনী, চিত্ৰনাট্য সকলো মণিকুন্তলা ভট্টাচাৰ্যৰ। মাটি-বাৰী সংক্ৰান্তীয় সমস্যাত যে আদালতৰ ওচৰলৈ নগৈ ৰাইজৰ আদালততে মীমাংসা হয় সেয়া নাটখনৰ জৰিয়তে বুজোৱা হৈছিল। ইয়াৰ উপৰিও তেওঁ শিশুৰ উপযোগীকৈ ভালেমান সাধুকথা ৰচনা কৰিছে। এইবোৰ গ্ৰন্থ আকাৰে এতিয়ালৈকে প্ৰকাশ পোৱা নাই।

**২.০২.০৮ সাহিত্যিক স্বীকৃতি ঃ**

মণিকুন্তলা ভট্টাচাৰ্যই সাহিত্যকৰ্মৰাজীৰ বাবে বহুতো বঁটা আৰু সন্মানেৰে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ লাভ কৰা সন্মান আৰু বঁটাসমূহ এনেধৰণৰ—

২০০৪ চনত মুনীন বৰকটকী বঁটা, ২০০৮ চনত অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা, ২০১০ চনত ভৰানী শৰ্মা স্মাৰক শ্ৰেষ্ঠ গল্প গ্ৰন্থ বঁটা, ২০১৭ চনত সদৌ অসম সাহিত্য সন্মিলনৰ ঐক্যতান বঁটা, লায়ন্স ক্লাৱৰ নাৰী শক্তি বঁটা, লেখিকা সমাৰোহ সাহিত্য বঁটা, আছাম টকছ টিভি চেনেলৰ শ্ৰেষ্ঠ ঔপন্যাসিক বঁটা, এনাজৰী বঁটা, মৰমলেণ্ড ৱেলফেয়াৰ চছাইটিৰ বছৰৰ শ্ৰেষ্ঠ সাহিত্যিক বঁটা, অসম সাহিত্য সভাৰ শতবৰ্ষীয় সাহিত্য সন্মান, ২০১৮ চনত ৰাষ্ট্ৰীয় কবি সংগমৰ সাহিত্য ৰত্ন বঁটা, অসম সাহিত্য সভাৰ চৈয়দ আব্দুল মালিক সাহিত্য বঁটা, চম্পাৱতী বঁটা, অসম সাহিত্য সভাৰ ত্ৰৈলোক্য নাথ গোস্বামী স্মৃতি কথা সাহিত্য বঁটা, সদৌ অসম সাংস্কৃতিক সমন্বয় সন্থাৰ সাহিত্য জেউতি বঁটা, ২০২০ চনত সাংস্কৃতিক সন্থা প্ৰহেলিকাৰ সাহিত্য মুকুতা বঁটা, ২০২১ চনত অসমীয়া বৰ্ণিলৰ সাহিত্য প্ৰভা বঁটা, Assistant high Commission of Bangladesh language martyrs day best novelist বঁটা, গুৱাহাটী সাংস্কৃতিক গোষ্ঠীৰ সাহিত্য ৰত্ন বঁটা, ২০২২ চনত কথা শিল্প বঁটা, অপৰূপা মহীয়সী নাৰী বঁটা, প্ৰেৰণা বঁটা, প্ৰাগ প্ৰেৰণা সন্মান, ২০২৩ চনত সাহিত্য ৰত্ন সন্মান।

মণিকুন্তলা ভট্টাচাৰ্য সাম্প্ৰতিক সময়ৰ এনে এগৰাকী সাহিত্যিক যিয়ে অবিৰাম গতিত নিৰবিচ্ছিন্নভাৱে সাহিত্যৰ সাধনা কৰি আছে। মানৱতাবাদী লেখিকাগৰাকীৰ সৃষ্টিশীল সাহিত্যৰাজীৰ মাজেৰে প্ৰেম, দয়া, সহানুভূতি, আন্তৰিকতা আদি মানৱীয় অনুভূতিৰ প্ৰকাশ ঘটিছে। সমাজৰ নিস্পেষিতজনৰ প্ৰতি তেওঁৰ অনুকম্পা দেখা গৈছে। শোষিত, বঞ্চিত, প্ৰতাৰিতজনৰ প্ৰতি তেওঁৰ কলম উঠিছে। সমাজৰ প্ৰান্তীয় শ্ৰেণীটোৰ দুখ-যন্ত্ৰণা, আৱেগ-অনুভূতিক পোহৰলৈ আনি তেওঁ এইসকল লোকৰ সৈতে পাঠকক পৰিচয় কৰাই দিছে। কোনো এটা সাহিত্যিক মতবাদকে বিশেষভাৱে উপস্থাপন নকৰা লেখিকাগৰাকীৰ সাহিত্যত সকলো শ্ৰেণীৰ লোকৰে জীৱন চিত্ৰণ কৰা হৈছে। পাঠকৰ মনোগ্ৰাহী হোৱাকৈ সহজ-সৰলভাৱে তেওঁ সাহিত্যৰাজী পাঠক সমাজলৈ আগবঢ়াই দিছে। বিষয়বস্তুৰ বিচিত্ৰতা, কাহিনী বিন্যাস, লিখনশৈলীৰ সহজ-সৰলতাই তেওঁৰ সাহিত্যৰাজীক পাঠক শ্ৰেণীৰ অধিক ওচৰ চপাই নিয়াত অৰিহণা যোগাইছে।

**প্ৰসংগ টোকা ঃ**

১ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

২ কুলদা কুমাৰ ভট্টাচাৰ্য। "চিত্ৰপটৰ বৈচিত্ৰ্যময়ী নাৰী" । সম্পা। মনোৰম গগৈ। *সন্ভাৰ*, পৃঃ ১৬

৩ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

৪ পূৰ্বোক্ত সাক্ষাতকাৰ

৫ মণিকুন্তলা ভট্টাচাৰ্য। *প্ৰস্তৰ কন্যা*। পৃঃ ২

৬ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২২

৭ মণিকুন্তলা ভট্টাচাৰ্য।*নীলপক্ষী* । পৃঃ ১২

৮ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬৮

৯ মণিকুন্তলা ভট্টাচাৰ্য। *প্ৰস্তৰ কন্যা*। পশ্চাৎ পৃষ্ঠা

১০ শৈলেন ভৰালী। *উপন্যাসঃ বিচাৰ আৰু বিশ্লেষণ*। পৃঃ ১৩, ১৪

১১ প্ৰহ্লাদ কুমাৰ বৰুৱা। *উপন্যাস*। পৃঃ ৫৯

১২ মণিকুন্তলা ভট্টাচাৰ্য। *দস্তখত*। পৃঃ ২৮০

১৩ মণিকুন্তলা ভট্টাচাৰ্য। *ঈপ্সু*। পৃঃ ৭২

১৪ মণিকুন্তলা ভট্টাচাৰ্য। *ভিভিয়ানৰ লিলি*। পৃঃ ২৫

১৫ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৯

১৬ মণিকুন্তলা ভট্টাচাৰ্য। *প্ৰেমৰ পৃথিৱী*। পৃঃ ১৬১